Content includes AI-generated material

বুমেৰাং হ'ল জিএছটিৰ অভিযান!



বিতং বাতৰি ৬ নং পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, FEBRUARY 22, 2025 ■ শনিবাৰ, ৯ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৫৭ Guwahati, Assam ।। মূল্যঃ এটকা

# দুলীয়াজানত ১০০ কোটি টকাৰ বৃহৎ ভূমি কেলেংকাৰী! ছাত্ৰ মুক্তিয়ে কৰিলে দাবী

## অনিয়মেৰে ত্ৰিবেণী চাহ বাগিচাৰ মাটি বিক্ৰী




**ই-সংবাদ, দুলীয়াজান, ২১ ফেব্ৰুৱাৰীঃ** ৰজাঘৰে সম্প্ৰতি দুৰ্নীতি-অনিয়মক নিত্য-নৈমিত্তিক ঘটনালৈ পৰ্যবশিতঃ কৰাৰ সুফল এতিয়া এচাম অসাধু লোকে বাৰুকৈয়ে ভোগ কৰিছে। সঘন শেষাংশ ২ পৃষ্ঠাত

## প্ৰশ্নকাকত ফাদিলৰ বাতৰি, নিউজ চেনেল, সাংবাদিকৰ বিৰুদ্ধে গোচৰ

**ই-সংবাদ, ২১ ফেব্ৰুৱাৰীঃ** আজি মেট্ৰিকৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ নতুন অভিযোগক লৈ চাঞ্চল্যৰ সৃষ্টি হয়। ৪ পৃষ্ঠাত চাওক

## মুখ্যমন্ত্ৰীলৈ লিখিলে বিশেষ পত্ৰ

# পত্নীৰ চাকৰিৰ তদন্ত দাবী অখিলৰ

**ই-সংবাদ, ২১ ফেব্ৰুৱাৰীঃ** অসম বিধানসভাৰ চলিত বাজেট অধিৱেশনৰ তৃতীয়টো দিনত মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মা আৰু বিধায়ক অখিল গগৈৰ মাজৰ তৰ্কযুদ্ধই অসমৰ ৰাজনীতিত ব্যাপক চৰ্চা লাভ কৰিছে। এটা বিত্তীয় বৰ্ষৰ শেষাংশ ৩ পৃষ্ঠাত

## ৰকিবুলৰ আক্ৰমণক লৈ সদনত বিবৃতি চৰকাৰৰ

# চতুৰ্থ দিনাও উত্তাল বিধানসভা

**দহ আক্ৰমণকাৰীক চিনাক্ত, স্বাস্থ্য পৰীক্ষা নকৰে ৰকিবুলে! অভিযোগ মুখ্যমন্ত্ৰীৰ**

**ই-সংবাদ, ২১ ফেব্ৰুৱাৰীঃ** অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি চতুৰ্থ দিনটোতো ৰকিবুল হুছেইনৰ ওপৰত হোৱা আক্ৰমণক লৈ উত্তাল হৈ পৰে অসম শেষাংশ ৪ পৃষ্ঠাত

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## এডভাণ্টেজ আছামক লৈ সভা

# বিকাশৰ বাৰ্তা দিবলৈ সাজু দিলীপ



**ই-সংবাদ, গুৱাহাটী, ২১ ফেব্ৰুৱাৰীঃ** অসমৰ মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ ৰাজ্য চৰকাৰে আয়োজিত কৰা এডভাণ্টেজ ৫ পৃষ্ঠাত



# গুৱাহাটীত পুনৰ হত্যাকাণ্ড

**ই-সংবাদ, ২১ ফেব্ৰুৱাৰীঃ** ৰাজ্যৰ ৰাজধানী গুৱাহাটী মহানগৰীত পুনৰ সংঘটিত হৈছে নাৰকীয় হত্যাকাণ্ড। ৫ পৃষ্ঠাত

# 'ওপৰৰ নিৰ্দেশত মোক হত্যা কৰাৰ ষড়যন্ত্ৰ চলিছে!'



## সংবাদমেলত ৰকিবুল

**ই-সংবাদ, যোৰহাট, ২১ ফেব্ৰুৱাৰীঃ** যোৰহাটৰ জিলা কংগ্ৰেছ ভৱনত আজি এখন গুৰুত্বপূৰ্ণ সংবাদমেল সম্বোধন কৰে ধুবুৰী শেষাংশ ২ পৃষ্ঠাত

# অসমৰ ভোটাৰৰ ভোট লৈ মেঘালয়ে পাতিলে নিৰ্বাচন!

## কাৰ্বি আংলঙত তীব্ৰ প্ৰতিক্ৰিয়া

**ই-সংবাদ, ডিফু, ২১ ফেব্ৰুৱাৰীঃ** মেঘালয়ৰ জয়ন্তীয়া জিলা পৰিষদৰ আজি নিৰ্বাচন অনুষ্ঠিত হৈ যায়। মেঘালয়ৰ অধীনৰ এই জিলা পৰিষদৰ নিৰ্বাচনত শেষাংশ ৩ পৃষ্ঠাত

## আৰক্ষীক আক্ৰমণ কৰিলে চিন্তা হয়ঃ ভূপেন

# সাংসদক আক্ৰমণৰ বিৰুদ্ধে কংগ্ৰেছৰ প্ৰতিবাদ



**ই-সংবাদ, ২১ ফেব্ৰুৱাৰীঃ** নিজ দলৰ নেতা তথা সাংসদক ৰাজপথত বগৰাই ক্ৰিকেট বেটেৰে প্ৰহাৰ কৰা শেষাংশ ৩ পৃষ্ঠাত



■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুলীয়াজানত ১০০ কোটি টকাৰ বৃহৎ

চৰ্চিত মুখ্যমন্ত্ৰীৰ ভূমি কেলেংকাৰীৰ বতাহজাকে এতিয়া স্পৰ্শ কৰিছেহি দুলীয়াজানৰ একাংশ বণিকগোষ্ঠীৰ লগতে স্থানীয় একাংশ দালালক। এনে এক ঘটনা আজি পোহৰলৈ আনিছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে। তৈল নগৰী দুলীয়াজানৰ একেবাৰে গাতে লাগি থকা ত্ৰিবেণী চাহ বাগিছাৰ তিনিশ বিঘাতকৈয়ো অধিক ভূমি বিক্ৰী কৰাৰ এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ছাত্ৰ সংগঠনটোৱে। আজি সন্ধিয়া দুলীয়াজান মিডিয়া চেণ্টাৰত আয়োজিত এখন সংবাদমেলত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কাৰ্যকৰী সভাপতি মাধুৰ্য বৰুৱাই কয় যে সকলোৰে অগোচৰে দুলীয়াজানত প্ৰায় ১০০ কোটি টকীয়া এক বৃহৎ ভূমি কেলেংকাৰী সংঘটিত হৈ আছে। টেঙাখাট ৰাজহ চক্ৰৰ অন্তৰ্গত দুলীয়াজানৰ টিপলিং মৌজাৰ দ-হুকুটা গাঁৱত অৱস্থিত ত্ৰিবেণী চাহ বাগিচাৰ চাহ গছসমূহ কাটি বগিছাখনৰ মাটি যোৱা কিছুদিনৰ পৰা বিক্ৰী কৰি থকা দেখা গৈছে। ত্ৰিবেণী চাহ বাগিছাৰ মুঠ মাটি ৩৩০ বিঘাত কৈয়ো অধিক। এই বৃহৎ পৰিমাণৰ মাটি ত্ৰিবেণী চাহ বাগিছাক অসমৰ চৰকাৰৰ ভূমি নীতি, ১৯৮৯ অনুসৰি বিশেষ কৃষি কাৰ্যৰ অধীনত চাহ বাগিচা পাতিবলৈ দিয়া হৈছিল। কিন্তু ১৯৮৯ চনৰ ভূমি নীতি মতে সৰ্বাধিক ৫০ বিঘা ম্যাদী মাটিহে চাহ বাগিচা পাতিবলৈ লাভ কৰে। এইটো অতি আশ্চৰ্যজনক যে যি সময়ত দ্য আছাম ফিক্সেশ্যন অব চিলিং অন লেণ্ড হল্ডিঙছ এক্ট, ১৯৫৬ অনুযায়ী এজন ব্যক্তি বা কোম্পানীৰ নামত সৰ্বাধিক ৫০ বিঘাতকৈ অধিক মাটি থাকিব নোৱাৰে আৰু অসম ভূমি নীতি মতেও স্পেচিয়েল কান্টিভেশ্যন কৰিলেও সৰ্বাধিক ৫০ বিঘা মাটি আবণ্টন দিয়াৰহে ব্যৱস্থা আছে, তেনেক্ষেত্ৰত বাগিচাখনৰ বাবে এজন ব্যক্তি বা কোম্পানীয়ে ইমান বিশাল পৰিমাণৰ মাটি লাভ কৰাটো সঁচাকৈয়ে ৰহস্যজনক। এতিয়া আকৌ মালিক পক্ষই সকলো নীতি-নিয়ম অমান্য কৰি মাটি বিক্ৰী কৰি আছে। এই অবৈধভাৱে চাহ বাগিচাৰ মাটি বিক্ৰী কৰা অতি শীঘ্ৰে বন্ধ কৰাৰ বাবে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে প্ৰশাসনক দাবী জনাইছে। ইয়াৰ লগতে কেনেদৰে ত্ৰিবেণী কোম্পানীয়ে ইমান মাটি লাভ কৰিলে তাৰ ওপৰত এক তদন্ত সোনকালে হ'ব লাগে আৰু এই ভূমি জালিয়াতিৰ লগত জড়িত সকলোকে চিনাক্ত কৰি বিহিত আইনী ব্যৱস্থা গ্ৰহণৰ দাবী জনাই সংগঠনটোৱে। বাগিচাখনত কৰ্মৰত শতাধিক শ্ৰমিকৰ জীৱন-জীৱীকাৰ কথা বাগিছাখনৰ লগত জড়িত হৈ থকাৰ পৰিপ্ৰেক্ষিতত অতি জৰুৰীভাৱে বিষয়টোত সংশ্লিষ্ট কৰ্তৃপক্ষই হস্তক্ষেপ কৰি মাটি বিক্ৰী বন্ধ কৰাৰ পোষকতা কৰিছে সংগঠনটোৱে। সংগঠনটোৱে পুনৰ কয়, "আমি জানিব পৰা মতে, বাগিচাখনৰ প্ৰতি কঠা মাটি ৭ লাখ টকাকৈ বিক্ৰী হৈ আছে। সেই হিচাপত মাটিখিনিৰ মূল্য প্ৰায় এশ কোটি টকা। ৰাজু টোডী নামৰ এজন অনা-অসমীয়া বণিয়াই দুলীয়াজান চহৰৰ গাতে লাগি থকা এখন চাহ বাগিছা সকলো নীতি-নিয়ম জলাঞ্জলি দি বিক্ৰী কৰি অহাটো ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে কেতিয়াও মানি ল'ব নোৱাৰো। প্ৰয়োজন সাপেক্ষে সমগ্ৰ বিষয়টোৰ ওপৰত আমি আইনৰ কাষ চাপিবলৈ বাধ্য হ'ম।" আজিৰ সংবাদমেলখনত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক ময়ূৰ প্ৰতীম চেতিয়া, ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক জগজিৎ গোঁহাই, ৰাইজৰ দলৰ নেতা পুস্পক ভূঞাৰ লগতে ছাত্ৰ মুক্তিৰ দুলীয়াজান আঞ্চলিকৰ ভাৰপ্ৰাপ্ত সভাপতি মানস গগৈ আদি উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'ওপৰৰ নিৰ্দেশত মোক হত্যা কৰাৰ

লোকসভা সমষ্টিৰ সাংসদ তথা প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনে। সাংসদ ৰকিবুল হুছেইনৰ সৈতে তেওঁৰ পুত্ৰ তানজিল হুছেইনৰ ওপৰত কালি এক ভয়ংকৰ আক্ৰমণ সংঘটিত হৈছিল। কেৱল সাংসদ ৰকিবুল হুছেইনেই নহয়, তেওঁৰ দেহৰক্ষীকো দৌৰাই দৌৰাই প্ৰহাৰ কৰাৰ দৃশ্য সামাজিক মাধ্যমৰ লগতে সংবাদ মাধ্যমত ব্যাপক চৰ্চা লাভ কৰে। তিতাবৰৰ বিধায়ক ভাস্কৰ বৰুৱাৰ মাতৃৰ বিয়োগৰ খবৰ লবলৈ আহিছিল ৰকিবুল হুছেইন। তিতাবৰৰ বিধায়কগৰাকীৰ ঘৰৰ পৰা আহি পুত্ৰ তানজিলৰ সৈতে যোৰহাট জিলাৰ কংগ্ৰেছ কাৰ্যালয়ত সন্ধিয়া এক সংবাদমেলত মিলিত হয় ধুবুৰীৰ সাংসদগৰাকী। কালি বিজেপিৰ কৰ্মীয়ে তেওঁক আক্ৰমণ কৰিছিল বুলি উল্লেখ কৰি ৰকিবুল হুছেইনে কয়, নতুন চামগুৰিত এখন সভা কৰিবলৈ তেওঁ যোৱাৰ পথতেই আক্ৰমণৰ সন্মুখীন হয়। মেট্ৰিক পৰীক্ষা চলি থকা কাৰণে ৰাজহুৱা স্থানত সভা নকৰি কংগ্ৰেছৰ এগৰাকী সদস্যৰ ঘৰত মাইক ব্যৱহাৰ নকৰাকৈ সভা অনুষ্ঠিত কৰিবলৈ গৈছিল ৰকিবুল হুছেইনে। কিন্তু গন্তব্যস্থলত উপস্থিত হোৱাৰ পূৰ্বেই আক্ৰমণ কৰা হয় সাংসদজনক। কাৰাগাৰত বন্দী হৈ থকা ডকাইত, চোৰ, জেলৰ পৰা ওলোৱা দাগী অপৰাধীক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰকিবুল হুছেইনৰ বিৰুদ্ধে ব্যৱহাৰ কৰা বুলি বিস্ফোৰক অভিযোগ উত্থাপিত কৰে ৰেকৰ্ড সংখ্যক ভোটত বদৰুদ্দিন আজমলক পৰাজিত কৰা সাংসদ ৰকিবুল হুছেইনে। নগাঁৱৰ ঘটনা সংঘটিত হোৱা এলেকাৰ আৰক্ষী অধীক্ষকে বিজেপিৰ সভাপতিৰ ভূমিকা পালন কৰা বুলি অভিযোগ আনে ৰকিবুল হুছেইনে। আক্ৰমণকাৰীৰ সৈতে আৰক্ষীয়ে মিলি ৰকিবুল হুছেইনক হত্যা কৰাৰ ষড়যন্ত্ৰ কৰাৰ অভিযোগ উত্থাপন কৰে সাংসদগৰাকীয়ে। সংবাদমেলত তেওঁ কয়, ৬বাৰ কৈ তেওঁৰ ওপৰত আক্ৰমণ কৰা হৈছে, তাৰ ভিতৰত চাৰিবাৰকৈ আক্ৰমণ সংঘটিত হয় নিৰাপত্তা উঠাই লোৱাৰ পাছত আৰু এই নিৰাপত্তা প্ৰত্যাহাৰ কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। এই অভিযোগ ৰকিবুল হুছেইনৰ। সংবাদমেলত ৰকিবুলে কয়, বিগত উপ-নিৰ্বাচনৰ সময়তো আক্ৰমণ কৰা হৈছিল ৰকিবুল হুছেইনক। এই পৰম্পৰা অক্ষুণ্ণ ৰাখি জনৈক কাছেম নামৰ ডকাইতৰ জৰিয়তে ৰকিবুল হুছেইনৰ দেহৰক্ষী জিতুমণি বৰা আৰু চন্দ্ৰ সিং হাংচুক দৌৰাই দৌৰাই প্ৰহাৰ কৰা হয় বুলি সংবাদমেলত সদৰী কৰে ৰকিবুল হুছেইনে। ৰকিবুল হুছেইনে কয়, এসময়ত অসম আৰক্ষীৰ এক গৌৰৱময় ইতিহাস আছিল, য'ত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ দিনত ভুল দেখিলে স্বয়ং মুখ্যমন্ত্ৰীকো আৰক্ষীয়ে আপত্তি কৰিব পাৰিছিল, সেইখিনি গণতন্ত্ৰ আছিল; কিন্তু আজি জেল ফেৰৎ কাছেম ডকাইতে খোদ অসম আৰক্ষীক প্ৰহাৰ কৰি অসম আৰক্ষীৰ গৌৰৱত কালিমা সনাৰ অভিযোগ ৰকিবুল হুছেইনৰ। ৰকিবুল হুছেইনে কয়, অসম আৰক্ষী আজি অসম আৰক্ষী আৰু হিমন্ত আৰক্ষী এই দুই লবীত বিভক্ত, য'ত মুখ্যমন্ত্ৰীয়ে হিমন্ত আৰক্ষীক ছিণ্ডিকেট চলাবলৈ দিছে বুলি অভিযোগ আনে ৰকিবুল হুছেইনে। ৰকিবুল হুছেইনে লগতে কয়, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা এতিয়া হতাশাগ্ৰস্ত, কাৰণ তেওঁ ইতিমধ্যে পৰাজিত হৈছে। ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনক হৰুৱাই বিজেপিৰ চৰকাৰ গঠন কৰিবলৈ দুজন ব্যক্তিক দায়িত্ব দিয়া হৈছিল, তাৰে এজন অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু আনজন মধ্য প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানক। হিমন্ত বিশ্বই হিন্দু-মুছলমান খেলি ঝাৰখণ্ডৰ নিৰ্বাচন চৌহানৰ পৰা হাইজেক কৰিব বিচাৰিছিল, কিন্তু ঝাড়খণ্ডত হিমন্ত বিশ্ব শৰ্মাৰ শোচনীয় পৰাজয় হ'ল। ৰকিবুল হুছেইনে কয়, হিমন্তই প্ৰচাৰ কৰিলেই হাৰে বিজেপি, সেয়ে হিমন্তই ভয় খাইছে। বিনাশ কালে বিপৰীত বুদ্ধি হৈছে হিমন্তৰ। সেয়ে এবাৰ গৌৰৱ গগৈৰ লগত লাগিছে, এবাৰ ৰকিবুল হুছেইনৰ লগত লাগিছে। তেওঁ আৰু কয় যে হিমন্ত বিশ্ব শৰ্মাই যোৰহাটক বেয়া পায়! বিনাশ কালে বিপৰীত বুদ্ধি হৈছে বুলি মন্তব্য কৰি ৰকিবুলে কয় যে উজনি অসমৰ প্ৰতি মুখ্যমন্ত্ৰীৰ বৰ এটা ভাল ভাৱ নাই। হিমন্তই তেওঁক মাৰিব খুজিলেও ভয় নকৰে আৰু মৰিলেও হিমন্ত বিশ্ব শৰ্মাক ভূত হৈ খেদিব বুলিও কয়! এনে পৰিস্থিতিত এতিয়া অনাগত দিনত একালৰ পৰম মিত্ৰ ৰকিবুল-হিমন্তৰ এই কাজিয়াই কি ৰূপ লয় সেয়া হ'ব লক্ষণীয়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমৰ ভোটাৰৰ ভোট লৈ মেঘালয়ে

দেখা গ'ল পশ্চিম কাৰ্বি আংলং জিলাৰ অসমৰ বহু অঞ্চলৰ ভোটাৰে অংশ গ্ৰহণ কৰা। পশ্চিম কাৰ্বি আংলং জিলাৰ মক্ৰু, মকৈলুং, উমগ্ৰেমিকে আদি কৰি বহু অঞ্চলৰ শ শ লোকে জয়ন্তীয়া পৰিষদৰ নিৰ্বাচনত ভোটদান কৰা দেখা গ'ল। অসম-মেঘালয়ৰ মাজত চলি থকা সীমা বিবাদৰ মাজত অসমত বসবাস কৰা একাংশ লোকে এনেদৰে ভোটদান কৰাত উদ্বিগ্ন হৈ পৰিছে সচেতন মহল। অসম আৰু মেঘালয় চৰকাৰে গোপন বুজাবুজিৰে অসমৰ ভূমি মেঘালয়ক গতাই দিয়া অথবা আগ্ৰাসনেৰে মেঘালয়ে কাৰ্বি আংলঙৰ ভূমি নিজৰ দখললৈ নিলে নেকি বুলি এতিয়া অঞ্চলটোৰ সচেতন মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বহুদিন ধৰি এই সম্পৰ্কে বাতৰি প্ৰকাশিত হৈ থকাৰ পাছতো কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ আৰু অসম চৰকাৰে কোনো বিহিত ব্যৱস্থা গ্ৰহণ নকৰাত এই ভূমিকা লৈ এতিয়া প্ৰশ্ন উত্থাপন হৈছে। অসম চৰকাৰে বুজাবুজি অনুসৰি এই ভূমি মেঘালয়ক গতাই দিলে নেকি তাক লৈয়ো সন্দেহৰ সৃষ্টি হৈছে। ইপিনে, ডিফুত আজি 'ফ'ৰাম ফৰ হিলচ অট'নমাছ ষ্টেট মুভমেন্ট' নামৰ সংগঠনটোৱে এএছডিচিৰ কাৰ্যালয়ত এক সংবাদমেল অনুষ্ঠিত কৰে। সংবাদমেল সম্বোধন কৰি সংগঠনটোৰ আহ্বায়ক সোণাচিং তেৰাঙে অভিযোগ কৰি কয় যে, কাৰবি আংলঙৰ ভূমিখণ্ডৰ ভিতৰত অনাধিকাৰ প্ৰৱেশ কৰি একাংশ মেঘালয়ৰ লোকে মেঘালয়ৰ নিৰ্বাচনী প্ৰচাৰ চলোৱা আৰু মুক্ত বিচৰণ কৰা কাৰ্যক আমি সহজভাৱে ল'ব পৰা নাই। এনে কাণ্ডত গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰে নেতাগৰাকীয়ে। মেঘালয়ৰ এনে কাৰ্য অসম চৰকাৰে বন্ধ কৰিব লাগে বুলিও সংগঠনটোৰ নেতাজনে দাবী উত্থাপন কৰে। সংগঠনটোৱে সংবাদমেলযোগে কয় যে, ১৯৫১ চনত মিকিৰ আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা গঠন হওঁতে এই ভূমিখণ্ড অসমৰ ভিতৰত আছিল। ১৯৬৯ চনত মেঘালয়ক স্বায়ত্ত শাসিত ৰাজ্য প্ৰদান আৰু ১৯৭২ চনত পূৰ্ণ ৰাজ্য প্ৰদান কৰোঁতেও কোনো সীমা বিবাদ হোৱা নাছিল। তেতিয়াৰে পৰা এই ভূমিখণ্ড কাৰ্বি আংলং জিলাৰ হৈ আছিল। ১৯৭৯ চনত সীমা সংঘাতত মেঘালয় চৰকাৰে কাৰ্বি আংলঙৰ ভিতৰত এটা আৰক্ষী ছাউনী স্থাপন কৰিছিল। এই কাৰ্যত অসম চৰকাৰে কোনো বাধা প্ৰদান কৰা নাছিল আৰু কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ সৈতে কোনো আলোচনা হোৱা নাছিল। ১৯৮৩ চনত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদক নজনোৱাকৈ অসম চৰকাৰ আৰু মেঘালয় চৰকাৰে যুটীয়া জৰীপ চলাইছিল যদিও ১৯৫১, ১৯৬৯ আৰু ১৯৭২ৰ সীমাই অক্ষুণ্ণ আছিল। ইয়াৰ বিপৰীতে এতিয়া মেঘালয়ৰ অধীনৰ জয়ন্তীয়া পৰিষদৰ নিৰ্বাচনত পশ্চিম কাৰ্বি আংলং জিলাৰ বহু অঞ্চল সামৰি লোৱাত সংগঠনটোৱে তীব্ৰ বিৰোধিতা কৰিছে। অসমৰ ৰাজ্যপালক এখন স্মাৰক পত্ৰ প্ৰদান কৰি কাৰ্বি আংলঙৰ ভূমিত মেঘালয়ৰ ৰাজনৈতিক দলৰ হস্তক্ষেপ বন্ধ কৰাৰ আহ্বান জনাইছে। স্মাৰক পত্ৰযোগে ৰাষ্ট্ৰীয় নিৰ্বাচন আয়োগলৈও এই সন্দৰ্ভত বিহিত ব্যৱস্থা ল'বলৈ আহ্বান জনাবলৈ ৰাজ্যপালক আহ্বান জনাইছে। ইয়াৰ লগতে কাৰ্বি আংলং জিলাৰ ভিতৰত থকা আম-ঈহ আৰক্ষী চকী উঠাই নিয়াৰ ব্যৱস্থা কৰাৰ লগতে এক উচ্চস্তৰীয় অনুসন্ধান সমিতি গঠন কৰিবলৈ ৰাজ্যপালক আহ্বান জনাইছে। অন্যাথাই অনাগত দিনত অঞ্চলটোৰ পৰিস্থিতিক লৈ চৰকাৰ জগৰীয়া হ'ব বুলিও কয় তেৰাঙে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পত্নীৰ চাকৰিৰ তদন্ত দাবী অখিলৰ

বাবে কোটি কোটি টকা খৰচ কৰি অনুষ্ঠিত কৰা বাজেট অধিৱেশনত অসমৰ জনতাৰ মৌলিক সমস্যাৰ কথা চৰ্চা হোৱাৰ পৰিবৰ্তে নেতাৰ পত্নীৰ কথা চৰ্চা হ'ব ধৰিছে। এইবাৰ অসমৰ মুখ্যমন্ত্ৰীয়ে মুখ্যমন্ত্ৰী ড০ শৰ্মাই বি বৰুৱা মহাবিদ্যালয়ৰ প্ৰবক্তা তথা বিশিষ্ট লেখক গীতাশ্ৰী তামুলীৰ চাকৰি আৰু হাৰাই চপ্পল পিন্ধা অখিল গগৈয়ে চানমাৰিত কেনেকৈ মাটি কিনিলে বুলি প্ৰশ্ন কৰে। এইগৰাকী মুখ্যমন্ত্ৰীয়ে বিশিষ্ট লেখক তথা অধ্যাপিকাৰ চাকৰিক লৈ মন্তব্য প্ৰদান কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিভিন্ন লোকে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰা পৰিলক্ষিত হৈছে। একাংশ লোকে গীতাশ্ৰী তামুলীৰ দক্ষতাক লৈ প্ৰশ্ন কৰাৰ কাৰোৰে অধিকাৰ নাই বুলি কয়। গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ত শিক্ষকতা জীৱনৰ পাতনি মেলা গীতাশ্ৰী তামুলীৰ মানৱ সম্পদ গঢ়িবলৈ কৰা প্ৰয়াস, অধ্যয়নপুষ্টতা, গুণ-গৰিমাক লৈ প্ৰশ্ন কৰিব নোৱাৰে বুলি কয় বিভিন্ন লোকে। তামুলীক স্বামীৰ পৰিচয় অবিহনে নীৰৱে শিক্ষা, গৱেষণা আদিৰে জাতিটোৰ বাবে সাধনা কৰি থকা নাৰী বুলি বিভিন্নজনে সামাজিক মাধ্যমৰ যোগে উল্লেখ কৰিছে। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে তেওঁৰ সান্নিধ্য লাভ কৰি প্ৰকৃত শিক্ষাৰ অধিকাৰী হোৱা বুলি উল্লেখ কৰিছে। ইয়াৰ মাজতে মুখ্যমন্ত্ৰীয়ে সদনত মুখ্যমন্ত্ৰীয়ে তামুলীৰ চাকৰিক লৈ সন্দেহ ব্যক্ত কৰাত আজি অখিল গগৈয়ে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কালি ওৰে নিশা শুব পৰা নাই বুলি ব্যক্ত কৰে। আজি বাজেট অধিৱেশনত উপস্থিত থাকি অখিল গগৈয়ে কয় যে কালি পত্নী গীতাশ্ৰী তামুলীৰ সৈতে কাজিয়া হৈছে। কালি ওৰে নিশা শুব পৰা নাই। সেইবাবে আজি সদনলৈ অহাত পলম হৈছে। আনহাতে, অখিল গগৈয়ে পত্নীয়ে চাকৰি এৰি দিব বুলি কোৱাৰ লগতে এখন পত্ৰযোগে পত্নীয়ে তদন্তৰ দাবী কৰি যেতিয়ালৈকে তদন্ত সমাপ্ত নহয় তেতিয়ালৈকে চাকৰিৰ পৰা আঁতৰ কৰি ৰাখিবলৈ দাবী জনোৱা বুলিও কয় অখিল গগৈয়ে। চাকৰিৰ বিষয়টোক লৈ দাবী কৰিবলৈ এখন পত্ৰ মুখ্যমন্ত্ৰীক প্ৰদান কৰাৰ কথা ঘোষণা কৰে। অখিল গগৈয়ে কয় যে মোৰ পত্নীয়ে কি কিতাপ পঢ়ে সেয়া চাই আহিলে মুখ্যমন্ত্ৰী হাৰ্টফেইল হৈ যাব। অখিল গগৈয়ে আৰু কয় যে মই যিটো ঘৰত থাকো সেই ঘৰটো মোৰ নহয়, পত্নীৰহে। ঘৰটো কিনাতো যদি এটকা কেলেংকাৰি হৈছে তাৰ ওপৰত তদন্ত কৰিবলৈ অনুৰোধ জনাইছো। তদন্ত কৰি দোষী যদি হয় তেন্তে আপুনি ঘৰটো লৈ থওক। দোষী ন'হ'লেও যদি আপুনি ঘৰটো বিচাৰে আপোনাকে দিম। অখিল গগৈয়ে আৱেগিক হৈ কয় যে ১৪ লেচা মাটিৰ এচলীয়া ঘৰ এটা। মোৰ পত্নীয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাতকৈ বেছি দৰমহা পায়। ১৪ লেচাৰ এচলীয়া ঘৰ এটা কিনিছো, তাকো ৬০ বছৰ পুৰণি। ঘৰটো বনাব পৰা নাই। সেই ঘৰটো হিমন্ত বিশ্ব শৰ্মাকে দি যাম। কিন্তু আমি সকলোৱে অভিযোগ কৰি আছো যে তেওঁৰ আয়তকৈ সম্পত্তি বেছি। সম্পত্তি বহুত গঢ়ি তুলিছে। মই মোৰ পত্নীৰ সম্পত্তিৰ বিৰুদ্ধে তদন্ত দিবলৈ দাবী জনাইছো। হিমন্ত বিশ্ব শৰ্মাকো আয়তকৈ সম্পত্তিৰ যি সামঞ্জ্যহীনতা তাক লৈ মুখ্যমন্ত্ৰীৰ তদাৰকী কোষকৰ দ্বাৰা তদন্ত কৰাওক। মই প্ৰত্যাহ্বান জনাইছো। ইপিনে, অখিল গগৈয়ে পুৱাৰ ভাগত মুখ্যমন্ত্ৰীক পত্নীৰ চাকৰি আৰু ঘৰ ক্ৰয়ৰ বিষয়টোক লৈ মুখ্যমন্ত্ৰীয়ে পত্ৰ দিয়াৰ কথা উল্লেখ কৰিছিল যদিও অখিল গগৈয়ে আবেলি দুখন পত্ৰ মুখ্যমন্ত্ৰীক প্ৰদান কৰে। মুখ্যমন্ত্ৰীক পত্ৰ প্ৰদান কৰি পত্নীৰ চাকৰি আৰু ঘৰটোৰ বিষয়ে তদন্ত কৰিবলৈ আহ্বান জনায়। চানমাৰিৰ নিজৰাপাৰৰ বাসগৃহ ক্ৰয় আৰু পত্নীৰ চাকৰিত যদি দুৰ্নীতি আছে তাৰ তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীক অখিল গগৈয়ে পত্ৰ দিয়াৰ বিষয়টোৱে ব্যাপক চৰ্চা লাভ কৰিছে। ড০ গীতাশ্ৰী তামুলী সন্দৰ্ভত সামাজিক মাধ্যমত বিভিন্নজনে চৰ্চা কৰিবলৈ আৰম্ভ কৰিছে। বায়'ডাটা শ্বেয়াৰ কৰিছে। ১৯৯৪ চনৰে পৰা দেৱৰাজ ৰয় মহাবিদ্যালয়ত অসমীয়া বিভাগত কৰ্মৰত হৈ গীতাশ্ৰীয়ে অখিল গগৈৰ সৈতে বিয়াত বহিছিল ২০০০ চনৰ ২৭ ফেব্ৰুৱাৰীত। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ জন্ম হৈছিল ২০০5 চনত। ১৯৯০ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত স্নাতক পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম আৰু ১৯৯৩ চনতে স্নাতকোত্তৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা কলা শাখাৰ ভিতৰতেই সৰ্বোচ্চ নম্বৰেৰে গ'ল্ড মেডেলিষ্ট গীতাশ্ৰী তামুলী। একাংশ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে কয় যে গীতাশ্ৰী তামুলী নিজ পৰিচয়, নিজ কৃতিত্বৰে মহীয়ান। কলেজৰ চাকৰিৰ বাবে প্ৰয়োজনীয় অৰ্হতা, যোগ্যতা, তেওঁ নিজেই বহু আগতেই অৰ্জন কৰা।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চতুৰ্থ দিনাও উত্তাল বিধানসভা

বিধানসভা। আজি বিধানসভা আৰম্ভ হোৱাৰ পিছতে বিৰোধী বিধায়কসকলে হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ আক্ৰমণৰ ঘটনাক লৈ বিৰোধী বিধায়কসকলে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। ৰকিবুল হুছেইনৰ আক্ৰমণকাৰীক গ্ৰেপ্তাৰ কৰিব নোৱাৰাত প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰে। কংগ্ৰেছ, এআইইউডিএফ, কংগ্ৰেছৰ বিধায়কৰ লগতে অখিল গগৈয়ে এতিয়ালৈ অপৰাধীক কিয় গ্ৰেপ্তাৰ কৰিব পৰা নাই বুলি প্ৰশ্ন উত্থাপন কৰে। তেনে সময়তে বিধানসভাত ৰকিবুল হুছেইনৰ ওপৰত হোৱা আক্ৰমণৰ বিৰুদ্ধে কংগ্ৰেছৰ বিধায়সকলে প্ৰতিবাদ সাব্যস্ত কৰে। বিধায়কসকলে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ নেতৃত্বত হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ বিধানসভা চৌহদত প্ৰতিবাদ সাব্যস্ত কৰে। অধিৱেশন আৰম্ভ হোৱাৰ পূৰ্বে কংগ্ৰেছৰ বিধায়কসকলে হাতে হাতে প্লে'কাৰ্ড লৈ আসনত থিয় হৈ অপৰাধীক গ্ৰেপ্তাৰৰ দাবী জনায়। তাৰ পিছতে সদনৰ পৰা বাহিৰলৈ ওলাই আহি পোষ্টাৰ প্ৰদৰ্শন কৰি বিধানসভা চৌহদত বিক্ষোভ প্ৰদৰ্শন কৰে। হিমন্ত বিশ্ব শৰ্মাই পদত্যাগ কৰক, গৃহমন্ত্ৰীয়ে পদত্যাগ কৰক, হিমন্ত বিশ্ব শৰ্মা হায়ঃ হায়ঃ আদি শ্ল'গান দি চৰকাৰক সমালোচনা কৰে বিধায়কসকলে। দেৱব্ৰত শইকীয়াই কয় যে সাংসদ ৰকিবুল হুছেইনৰ ওপৰত হোৱা আক্ৰমণক কঠোৰ ভাষাৰে নিন্দা কৰিছো। কিবা অসুবিধা হ'ব পাৰে বুলি তথ্য থকাৰ পিছতো আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। বিৰোধী দলৰ বিৰুদ্ধে চৰকাৰৰ এনে স্থিতিক গৰিহণা দিছো। আমি এই ঘটনাৰ বাবে সদনত সভা স্থগিতৰ প্ৰস্তাৱ আনিম। তাৰ পিছতে সদনত চৰকাৰে বিবৃতি দিবলৈ বাধ্য হয়। ৰকিবুল হুছেইনক আক্ৰমণ কৰা ১০জন দুৰ্বৃত্তক চিনাক্ত কৰা বুলি কয় চৰকাৰে। মন্ত্ৰী পীযুষ হাজৰিকাই সদনত কয় যে জামতোলাৰ হাৰুণ, ফাকলিৰ হৰেশ, তামুলীটুপৰ বছিৰ, কাৰৈমাৰীৰ কাছেম আলী, কাৰৈমাৰীৰ ৰছিদুল, গুণাবাৰীৰ আয়ুব, ৰে'ল ষ্টেচনৰ লুটকিয়ৰ, ৰৌমাৰীৰ খালেক, গঁড়েমাটিখোৱাৰ মজিবুৰ, কোয়াচগাঁৱৰ জাহাংগীৰ বুলি চিনাক্ত কৰা হৈছে। আক্ৰমণকাৰীক বিচাৰি আৰক্ষীয়ে অভিযান আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়ো সামাজিক মাধ্যমযোগে ৰকিবুল হুছেইনক আক্ৰমণ কৰা অপৰাধীক চিনাক্ত কৰা বুলি পোষ্ট দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে সাংসদ ৰকিবুল হুছেইনক আক্ৰমণৰ অভিযোগত ১০জন লোকক আৰক্ষীয়ে চিনাক্ত কৰিছে। আন এটা পোষ্টত মুখ্যমন্ত্ৰীয়ে ৰকিবুল হুছেইন স্বাস্থ্য পৰীক্ষা কৰিবলৈ সন্মত হোৱা নাই বুলি অভিযোগ আনে মুখ্যমন্ত্ৰীয়ে। তেওঁ কয়, "কংগ্ৰেছৰ মাননীয় সাংসদ ৰকিবুল হুছেইনে কালি সংঘটিত এক আক্ৰমণৰ অভিযোগ উত্থাপন কৰি আজি এজাহাৰ দাখিল কৰিছিল। অৱশ্যে সাংসদগৰাকীয়ে এতিয়ালৈকে চিকিৎসা পৰীক্ষা কৰিবলৈ অস্বীকাৰ কৰিছে। এই পৰীক্ষা অবিহনে আইনী প্ৰক্ৰিয়া সঠিকভাৱে নিৰ্ধাৰণ তথা এজাহাৰত ভাৰতীয় ন্যায় সংহিতাৰ (ভাৰতীয় দণ্ডবিধি) উপযুক্ত ধাৰা প্ৰয়োগ কৰিব পৰা নাযায়। কংগ্ৰেছ দল আৰু বিৰোধী দলৰ দলপতিয়ে এই স্থিতি মন কৰাটো প্ৰয়োজনীয় বুলিও কয় মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে ৰকিবুল হুছেইনে স্বাস্থ্য পৰীক্ষা কৰা নাই বুলি অনা অভিযোগৰ লগে লগে প্ৰত্যুত্তৰ দিয়ে ৰকিবুল হুছেইনে। তেওঁ কয়, "আপুনি ভাৰতীয় ন্যায় সংহিতা-২০২৩ৰ অধীনত গোচৰ পঞ্জীয়ন কৰ্তৃপক্ষ বা তদন্ত কৰ্তৃপক্ষ নহয়। পূৰ্বৰ গোচৰসমূহৰ তদন্তত আপোনাৰ অবৈধ আৰু স্বেচ্ছাচাৰী হস্তক্ষেপেও এই দুষ্কৃতিকাৰী আৰু গুণ্ডাসকলক বাৰে বাৰে জঘন্য অপৰাধ কৰিবলৈ উৎসাহিত কৰিছে বুলি তয় হুছেইনে। কংগ্ৰেছে বাৰে বাৰে এই আক্ৰমণত বিজেপি দল, মুখ্যমন্ত্ৰী জড়িত বুলি অভিযোগ উত্থাপন কৰি আহিছে। কিন্তু পৰিতাপৰ কথা এয়াই যে চৰকাৰে ৫০ ঘণ্টা পাৰ হৈ যোৱাৰ পিছতো এজনো লোকক গ্ৰেপ্তাৰ কৰিব পৰা নাই।" খোদ আৰক্ষীক আক্ৰমণ কৰাৰ পিছতো নগাঁও আৰক্ষীয়ে এজনো আক্ৰমণকাৰীক গ্ৰেপ্তাৰ কৰিব নোৱাৰাত বহু প্ৰশ্নৰ উদ্ৰেক হৈছে। তদন্তই এতিয়া কোনফালে গতি কৰে সেয়াও হ'ব লক্ষণীয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিকাশৰ বাৰ্তা দিবলৈ সাজু দিলীপ

আসাম ২.০ৰ জৰিয়তে আগন্তুক সময়ত অসমলৈ বিকাশৰ বাৰ্তা কঢ়িয়াই আনিব। এই বাৰ্তা অসমৰ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ দায়িত্ব ভাৰতীয় জনতা পাৰ্টীৰ প্ৰত্যেকজন কাৰ্যকৰ্তাৰ। আজি ৰাজ্যিক বিজেপিৰ মিডিয়া বিভাগ, সামাজিক মাধ্যম কোষ, তথ্য প্ৰযুক্তি কোষ, অৰ্থনীতি কোষ, বাণিজ্যিক কোষ, নীতি আৰু গৱেষণা বিভাগ তথা দলীয় মুখপাত্ৰ আৰু পেনেলিষ্টসকলৰ সৈতে অনুষ্ঠিত হোৱা সভাত ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই ভাৰতীয় জনতা পাৰ্টীৰ কাৰ্যকৰ্তাসকলক এই আহ্বান জনায়। প্ৰায় ২ লাখ কোটিতকৈ অধিক বিনিয়োগৰ আশাৰ বতৰা কঢ়িয়াই অনা এডভান্টেজ আসাম ২.০ত ভাৰতৰ বিভিন্ন স্তৰৰ কেইবাটাও অগ্ৰণী ৰাষ্ট্ৰীয় বাণিজ্যিক সংস্থা, কোম্পানী, আগশাৰীৰ ব্যৱসায়ীৰ লগতে কেইবাটাও আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক সংস্থা, বিশিষ্ট ব্যৱসায়ীসকলৰ উপস্থিতিত অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগা এডভান্টেজ আসাম ২.০ৰ শুভ উদ্বোধন কৰিব ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এই অনুষ্ঠানৰ পূৰ্ব সন্ধিয়া অৰ্থাৎ ২৪ ফেব্ৰুৱাৰীত সৰুসজাই ষ্টেডিয়ামত প্ৰায় ১০ হাজাৰ ঝুমুৰ শিল্পীৰ দ্বাৰা ঝুমুৰ বিনন্দিনী অনুষ্ঠানৰো উদ্বোধন কৰিব দেশৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে। আজি ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত অনুষ্ঠিত সভাখনত ৰাজ্যিক সভাপতিগৰাকীয়ে কেউটা বিভাগ আৰু কোষক সক্ৰিয়তাৰে সমগ্ৰ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে ব্যাপকভাৱে জনসাধাৰণৰ মাজলৈ এডভান্টেজ আসাম ২.০ৰ বিষয়সমূহ লৈ যাবলৈ তৎপৰতা অৱলম্বন কৰিবলৈ আহ্বান জনায়। আজিৰ সভাত ৰাজ্যিক সাধাৰণ সম্পাদক পল্লৱলোচন দাস, দিপ্লুৰঞ্জন শৰ্মা, পুলক গোহাঁই উপস্থিত থাকে। সভাখনৰ আঁতধৰে ৰাজ্যিক মুখ্য মুখপাত্ৰ মনোজ বৰুৱাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰশ্নকাকত ফাদিলৰ বাতৰি, নিউজ

ধুবুৰীৰ জৰুৱাৰচৰ পাব্লিক হাইস্কুল পৰীক্ষা কেন্দ্ৰত সাধাৰণ গণিতৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগক লৈ সংবাদমাধ্যমত বাতৰি প্ৰকাশ পোৱাত হৈ-চৈ লাগে। পৰীক্ষা আৰম্ভ হোৱাৰ পিছতে কাকত ফাদিল হোৱাৰ সন্দেহ ব্যক্ত কৰা হৈছিল। প্ৰশ্নকাকত বিভিন্ন স্থানলৈ প্ৰেৰণ কৰাৰ অভিযোগ উঠে। এই ঘটনাই শিক্ষাৰ্থী, অভিভাৱক আৰু শিক্ষাবিদসকলৰ মাজত ক্ষোভৰ সৃষ্টি কৰে। পৰীক্ষা প্ৰক্ৰিয়াৰ বিশ্বাসযোগ্যতা নিশ্চিত কৰাৰ বাবে এক পুংখানুপুংখ তদন্তৰ দাবী জনায়। এনে ঘটনা বাৰে বাৰে সংঘটিত হোৱাত উদ্বেগ প্ৰকাশ কৰি একাংশ লোকে প্ৰশাসনৰ প্ৰস্তুতিক লৈ প্ৰশ্ন উত্থাপন কৰিছিল। ধুবুৰীৰ জাৰুৱাৰচৰ পাব্লিক হাই স্কুলত মেট্ৰিকৰ প্ৰশ্নকাকত লিক হোৱাৰ খবৰ প্ৰকাশ কৰা দুটা নিউজ চেনেলৰ নাম উল্লেখ কৰি গোচৰ ৰুজু কৰিছে ধুবুৰী জিলা প্ৰশাসনে। আথানিৰ ৰাজহ চক্ৰ বিষয়া অদিত কুমাৰ শৰ্মা আৰু স্কুলসমূহৰ পৰিদৰ্শক ৰঞ্জুমণি দত্তই জিলা আয়ুক্তক পত্ৰ দিয়াত বন্দিহানা আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। এই দুয়োটা নিউজ চেনেলে মিছা অপপ্ৰচাৰ চলাই ৰাইজক বিভ্ৰান্ত কৰাৰ অভিযোগ আনিছে প্ৰশাসনে। শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে কয় যে চৰকাৰী অনুসন্ধানে কোনো উলংঘন হোৱা নাই বুলি নিশ্চিত হৈছে। ভুল তথ্য প্ৰচাৰ কৰাসকলৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰা হৈছে। কঠোৰ নিৰীক্ষণৰ অধীনত পৰীক্ষাবোৰ সুচাৰুৰূপে অনুষ্ঠিত হৈছে। সকলোকে উৰাবাতৰি পৰিহাৰ কৰি বিভ্ৰান্ত নহ'বলৈ কয় শিক্ষামন্ত্ৰীয়ে। ইফালে শিক্ষামন্ত্ৰীৰ কঠোৰ নিৰ্দেশৰ পিছতে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে। দুটাকৈ বৈদ্যুতিন সংবাদমাধ্যম তথা এটা ডিজিটেল মাধ্যমত বাতৰি প্ৰকাশ পোৱাত কেন্দ্ৰটোত তদন্তৰ বাবে শিক্ষা বিষয়াৰ লগতে কাৰ্যবাহী দণ্ডাধীশ উপস্থিত হয়। অভিযোগ উত্থাপন কৰাসকলে বাতৰিত প্ৰকাশ পোৱা ধৰণে কাকত ফাদিলক লৈ সত্যতা প্ৰমাণ কৰাত ব্যৰ্থ হয়। তাৰ পিছতে বন্দিহানা আৰক্ষী চকীত প্ৰশাসনে এখন এজাহাৰ দাখিল কৰে। তাৰ পিছতে এগৰাকী ডিজিটেল মাধ্যমৰ সাংবাদিকক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সাংসদক আক্ৰমণৰ বিৰুদ্ধে কংগ্ৰেছৰ

ঘটনাৰ বিৰুদ্ধে সৰৱ হৈছে কংগ্ৰেছৰ নেতা-কৰ্মী। কালি নগাঁৱৰ ৰূপহীহাটত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনক আক্ৰমণৰ ঘটনাৰ বিৰুদ্ধে কংগ্ৰেছে কালিৰে পৰা প্ৰতিবাদ অব্যাহত ৰাখিছে। কালি বিভিন্ন জিলাত প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে আজি পুনৰ পুৱাৰে পৰা কংগ্ৰেছৰ বিভিন্ন জিলা সমিতিয়ে প্ৰতিবাদ সাব্যস্ত কৰিছে। নগাঁৱৰ ৰূপহীত দিন দুপৰতে ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনক আক্ৰমণৰ ঘটনাক লৈ আজি সমগ্ৰ ৰাজ্য উত্তাল কৰে কংগ্ৰেছৰ নেতা-কৰ্মীয়ে। জিলাৰ সদৰে সদৰে প্ৰতিবাদ সাব্যস্ত কৰি ৰকিবুল হুছেইনৰ আক্ৰমণকাৰীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ লগতে বিৰোধী দলৰ নেতাসকলক সুৰক্ষা প্ৰদানৰ দাবী জনাইছে কংগ্ৰেছ নেতা-কৰ্মীসকলে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটীৰ আজি ৰাজীৱ ভৱনত কেবাজনো ৰাজ্যিক নেতাৰ উপস্থিতিত কংগ্ৰেছ নেতা-কৰ্মীয়ে প্ৰতিবাদ জনায়। হাতে হাতে বেনাৰ-পোষ্টাৰ, ফেষ্টুন লৈ কংগ্ৰেছ নেতাকৰ্মীয়ে চৰকাৰ বিৰোধী শ্ল'গানেৰে পৰিস্থিতি উত্তাল কৰি তোলে। মুখ্যমন্ত্ৰীয়ে পদত্যাগ কৰক, বিজেপি চৰকাৰ হায়ঃ হায়ঃ, বিজেপিৰ অপশাসন নচলিব, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা গ'-বেক, বিজেপি চৰকাৰ মুৰ্দাবাদ শ্ল'গানেৰে প্ৰতিবাদকাৰীসকলে ৰাজীৱ ভৱনৰ চৌহদ উত্তাল কৰে। প্ৰতিবাদকাৰীসকলে এটা সময়ত ৰাজীৱ ভৱনৰ পৰা বাহিৰলৈ ওলাই আহি পথত প্ৰতিবাদ সাব্যস্ত কৰাৰ প্ৰয়াস কৰে দিও আৰক্ষীয়ে বেৰিকেড লগাই কংগ্ৰেছ নেতা-কৰ্মীক বাধা দিয়ে। ফলত ৰাজীৱ ভৱনৰ সন্মুখত আৰক্ষী কৰ্মীসকলৰ হতা-হতি লাগে। প্ৰতিবাদত অংশ লৈ প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰিপুণ বৰাই সাংসদক আক্ৰমণ কৰা ঘটনা সাধাৰণ ঘটনা নহয় বুলি দাবী কৰে। ৰিপুন বৰাই গুৰুতৰ অভিযোগ উত্থাপন কৰি এই আক্ৰমণত মুখ্যমন্ত্ৰী আৰু বিজেপিৰ হাত আছে বুলি দাবী কৰে। বৰাই আৰু কয় যে ৰকিবুল হুছেইনৰ প্ৰাণৰ সংশয় থকাৰ পাছতো নিৰাপত্তা বৃদ্ধি কৰা হোৱা নাছিল। নিৰাপত্তা দিয়াৰ দায়িত্ব আৰক্ষীৰ আছিল। বিজেপিয়ে ভাবিছে সন্ত্ৰাস সৃষ্টি কৰি জংঘলৰাজ চলাব। ২০২৬ চনত নিৰ্বাচন জিকিব নোৱাৰে। গুণ্ডাৰাজৰ যোগেদি নিৰ্বাচন জিকাৰ সপোন দেখিছে। কংগ্ৰেছ কৰ্মীক ভীতিগ্ৰস্ত কৰিব বিচাৰিছে। কংগ্ৰেছ কৰ্মীয়ে হিমন্ত বিশ্ব শৰ্মাক সকীয়াই দিছো যে এনেকুৱা ঘটনাই কংগ্ৰেছ কৰ্মীক ভীতিগ্ৰস্ত কৰিব নোৱাৰে। কংগ্ৰেছে কেতিয়াও ভয় কৰা নাই। হিমন্ত বিশ্ব শৰ্মাক কংগ্ৰেছ কৰ্মীয়ে ভয় নকৰে। ২০২৬ত আমি হিমন্ত বিশ্ব শৰ্মাক উৎখাত কৰাৰ সংকল্প লৈছো। গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছৰ প্ৰতিবাদত প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰিপুণ বৰা, উপ-সভানেত্ৰী ববীতা শৰ্মা, নৃপেন ঠাকুৰীয়া, মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি গোপাল শৰ্মা উপস্থিত থাকে। চোঁতালে চোঁতালে কংগ্ৰেছ কাৰ্যসূচীত অংশ ল'বৰ বাবে বৰাকত থকা প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি শিলচৰত প্ৰতিবাদী কাৰ্যসূচীত অংশ লয়। শিলচৰ জিলা কংগ্ৰেছৰ উদ্যোগত উলিওৱা প্ৰতিবাদী সমদল ভূপেন কুমাৰ বৰাই অংশ লয়। কেইবা শতাধিক নেতা-কৰ্মীয়ে ভূপেন কুমাৰ বৰাৰ সৈতে সমদল কৰি হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা গ'-বেক, বিজেপি গ'বেক আদি শ্ল'গানেৰে ৰাজপথ উত্তাল কৰি তোলে। শিলচৰৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত উপস্থিত হোৱাত আৰক্ষীয়ে বাধা দিয়াত ভূপেন কুমাৰ বৰা খঙত অগ্নিশৰ্মা হৈ আৰক্ষীক উদ্দেশ্য আৰেগিক আহ্বান জনায়। আৰক্ষীক উদ্দেশ্যে বৰাই কয় যে আৰক্ষীৰ ড্ৰেছ আৰু কাৰ্বাইন লৈ থকা মানুহক যেতিয়া লাট মাৰে তেতিয়া আৰক্ষী বিষয়াৰ গাত লাগে নে নাই তাক লৈ প্ৰশ্ন কৰে। আৰক্ষীৰ সৈতে তেনে কৰিলে আমাৰ গাত লাগে। কংগ্ৰেছ দলৰ গাত লাগে। ব্ৰিটিছ পুলিচক খেদি জাতীয় পুলিচক দায়িত্ব দিবলৈ কংগ্ৰেছে আন্দোলন কৰিছিল। ৰকিবুল হুছেইন এজন জন প্ৰতিনিধি। তেওঁৰ লগত কাৰ্বাইন লৈ থকা দুজন নিৰাপত্তাৰক্ষী আছিল। খাকী পোছাক পিন্ধি কাৰ্বাইন লৈ আছে। তেনে পৰিস্থিতিক কেনেকৈ আক্ৰমণ কৰিলে বুলি প্ৰশ্ন কৰে। ভূপেন বৰাই কয় যে যদি এটা অট্টালিকাৰ সন্মুখত এডাল লাঠি লৈ এজন হোমগাৰ্ড থিয় হৈ থাকে, সেই অট্টালিকাত বিনা অনুমতিত কোনেও প্ৰৱেশ কৰিবলৈ সাহস কৰিব নোৱাৰিব। সেয়া হৈছে পুলিচৰ শক্তি। সেয়া হৈছে আইনৰ শক্তি। যদি গৃহ বিভাগেই বন্ধ হৈ যায় তেন্তে অসমৰ ভৱিষ্যত কি হ'ব বুলি প্ৰশ্ন কৰি ভূপেন বৰাই কয় যে স্বাস্থ্য বিভাগ দহদিন বন্ধ থাকিলে অসম চলি থাকিব। শিক্ষা বিভাগ, বিদ্যুৎ বিভাগ দহ দিন বন্ধ থাকিলে অসম চলি থাকিব। কিন্তু পুলিচ প্ৰশাসন বন্ধ হৈ গ'লে অসম কেনেকৈ চলিব বুলি শিলচৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত থকা আৰক্ষীক তেওঁ প্ৰশ্ন কৰে। গণতন্ত্ৰত বিৰোধীক গুৰুত্ব দিয়াৰ প্ৰসংগ উল্লেখ কৰি বৰাই কয় যে বিৰোধী নেতাক কেবিনেট ৰেংক দিয়া হয়। আজি মোক আপোনালোকে নিৰাপত্তা দিছে। কিয় দিছে? গণতন্ত্ৰত দুৰ্বল মানুহৰ কথা বিলাক যাতে বিৰোধী নেতাসকলে মুকলিকৈ ক'ব পাৰে। আন এক গুৰুতৰ অভিযোগ উত্থাপন কৰি উমৰাংছুৰ অবৈধ কয়লা খনিত ২০ শ্ৰমিক আৱদ্ধ হৈ থকাৰ প্ৰসংগ উল্লেখ কৰে। বৰাই কয় যে উমৰাংছুৰ কয়লাখনিৰ পৰা প্ৰথমে ওলাই অহা শ্ৰমিকজনে কৈছিল যে গাতত ২৫ জন শ্ৰমিক আৱদ্ধ হৈ আছে। কিন্তু এতিয়াও ২০ জন শ্ৰমিক গাতত আৱদ্ধ হৈ আছে। সেই কথাত কোনেও গুৰুত্ব নিদিয়ে। গুৱাহাটীত ৫ দিনত ৫ জনী গাভৰু হত্যা কৰা হৈছে। চাৰিওফালে গাভৰু নিখোজ হৈছে। শিলচৰত আৰক্ষী অধীক্ষকক কাতৰ আহ্বান জনাই বৰাই কয় যে আমি সকলোৱে অসমৰ অসমীয়া। পুলিচক আমাক লাগিব। পুলিচৰ হাতত আমাৰ সকলোৰে ভৱিষ্যত। শিলচৰৰ নাগৰিকৰ নিৰাপত্তা দিয়ে আৰক্ষীয়ে। আমি আৰক্ষীৰ বাবে ভালকৈ টোপনি যাও। মাথো ২০ টকাৰ তলা এটা লগাই ঘৰৰ পৰা ওলাই যাও। আমি জানো যে কোনোবাই তলাটো ভাঙিলে আৰক্ষীয়ে বিচাৰ কৰিব। সেয়া হৈছে আমাৰ পুলিচৰ ওপৰত বিশ্বাস। ২০ টকীয়া তলাটোৰ সৈতে আৰক্ষীৰ শক্তি জড়িত হৈ আছে. আৰক্ষীক উদ্দেশ্যি প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে আৰু কয় যে আৰক্ষীয়ে ভাবিব নালাগে আমি কেৱল ৰকিবুল হুছেইনৰ কাৰণে ধৰ্ণা দিছো, তেনে নহয়। আমি প্ৰহাৰৰ বলি হোৱা আৰক্ষীৰ হকেও এই ধৰ্ণা প্ৰদান কৰিছো।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত পুনৰ হত্যাকাণ্ড

এইবাৰ পেটৰ তাড়না তথা পৰিয়ালক সহায় কৰাৰ উদ্দেশ্যে গুৱাহাটীলৈ কামৰ সন্ধানত অহা যুৱক হত্যাৰ বলি হৈছে। হত্যাৰ বলি যুৱকজন মৰিগাঁৱৰ সঞ্জীৱ নাথ বুলি চিনাক্ত কৰা হৈছে। মুমূৰ্ষু অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত সঞ্জীৱ নাথে মৃত্যুক আকোৱালি লয়। দুই বন্ধু প্ৰহ্লাদ নাথ আৰু আনন্দ দাসে নিশাৰ অন্ধকাৰত হত্যা কৰাৰ প্ৰয়াস কৰিছিল যদিও কেনেবাকৈ সাৰি আহি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি হৈছিল যদিও ৫টা দিনৰ মূৰকত আজি মৃত্যুক আকোৱালি লয়। জানিব পৰা মতে, মৰিগাঁৱৰ সঞ্জীৱ নাথে ১৭ জানুৱাৰীত কামৰ সন্ধানত গুৱাহাটীলৈ আহিছিল। দুই বন্ধু প্ৰহ্লাদ নাথ আৰু আনন্দ দাসেৰ সৈতে গুৱাহাটীলৈ লৈ আহে সঞ্জীৱ। দুই বন্ধুৰ সহায়ত উজান বজাৰস্থিত ছিকিউৰিটি এজেন্সি অমিত এজেন্সিত কামত সোমাই সঞ্জীৱ। কিন্তু ১৯ জানুৱাৰীৰ নিশা পল্টনবজাৰৰ এটা এপাৰ্টমেণ্টত দুই বন্ধুৰ সৈতে সঞ্জীৱৰ মনোমালিন্য হয়। প্ৰথমে তৰ্কা-তৰ্কি। তাৰ পিছতে প্ৰহ্লাদ আৰু আনন্দই সঞ্জীৱক বৰ্বৰভাৱে প্ৰহাৰ কৰে। তাৰ পিছতে সঞ্জীৱক বিলপাৰ নামৰ জনশূন্য ঠাইলৈ নিয়ে। প্ৰহ্লাদ আৰু আনন্দই আন কেবাজনো লোকক মাতি আনে। নিশাৰ আন্ধাৰত বাহিনীয়ে যিয়ে যেনেকৈ পাৰে হত্যাৰ প্ৰয়াস কৰি প্ৰহাৰ কৰি মৃত্যু হোৱা বুলি সঞ্জীৱক পেলাই থৈ যায়। কিন্তু তেতিয়ালৈ সঞ্জীৱৰ প্ৰাণ বায়ু উৰি যোৱা নাছিল। সঞ্জীৱৰ গাত ত'ত অহাত ঘৰলৈ ফোন লগাই 'মোক বচাওক' বুলি কাতৰ আহ্বান জনায়। তাৰ পিছৰে পৰা পৰিয়ালৰ সৈতে সংযোগ বিচ্ছিন্ন হয়। নিশাই পৰিয়ালৰ লোক গুৱাহাটীত উপস্থিত হয় যদিও পৰিয়ালে সঞ্জীৱৰ শুংসূত্ৰ নাপালে। দুই বন্ধুৱে ভিন্ন প্ৰকাৰে সঞ্জীৱৰ প্ৰসংগৰ পৰা আঁতৰি থাকে। পৰিয়ালে তেতিয়া সন্দেহ উপজাত ২০ জানুৱাৰীত পল্টনবজাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এজাহাৰ দাখিলৰ ৫ দিনৰ মূৰকত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত সঞ্জীৱক উদ্ধাৰ কৰে। সংকটজনক অৱস্থাত চিকিৎসা চলি আছিল যদিও কালি নিশা সঞ্জীৱ নাথে মৃত্যুক আঁকোৱালি লয়। ইপিনে সঞ্জীৱৰ পৰিয়ালত আন এক কৰুণ ঘটনা সংঘটিত হয়। সঞ্জীৱৰ মৃত্যুৰ পিছতে মৰিগাঁৱৰ বাসগৃহত বৰদেউতাকৰো মৃত্যু হয়।

# অইলৰ নিযুক্তি পৰীক্ষাৰ বাবে পুনৰ ব্লেকলিষ্টেড কোম্পানীক ৰঙা দলিচা

**ই-সংবাদ, দুলীয়াজান, ২১ ফেব্ৰুৱাৰীঃ** দেশৰ ৰাজহুৱা খণ্ডৰ দ্বিতীয় বৃহৎ তৈল উদ্যোগ প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডত এতিয়া গাৰ বলেৰে কাম সম্পাদন কৰাৰ কৌশল চলিছে। মহাৰত্ন উদ্যোগ প্ৰতিষ্ঠানৰ অভিধাৰে বিভূষিত অইল ইণ্ডিয়াৰ নীতি নিৰ্ধাৰণকাৰী এচাম শীৰ্ষ বিষয়াই ৰাজহুৱা খণ্ডৰ উদ্যোগটোক নিজৰ খেয়াল-খুচি মতে পৰিচালিত কৰাৰ বিভিন্ন সময়ত অভিযোগ উত্থাপন হৈ আহিছে। এইবাৰ এনে এক অভিযোগ উত্থাপন কৰিছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে। তৈল উদ্যোগটোৰ ৪৩২ টা কাৰিকৰী পদৰ নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে বিভিন্ন কলংক আৰু অনিয়ম সংঘটিতকাৰী একাধিক প্ৰতিষ্ঠানক ৰঙা দলিচা পাৰি আদৰণি জনোৱা কাৰ্যত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সংগঠনটোৱে। আজি সন্ধিয়া দুলীয়াজান মিডিয়া চেণ্টাৰত আয়োজিত এখন সংবাদমেলত এই সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰি সংগঠনটোৰ কাৰ্যকৰী সভাপতি মাধুৰ্য বৰুৱাই এই সন্দৰ্ভত কয়, বিগত বৰ্ষত এডুটেষ্ট নামৰ এটা ব্লেক লিষ্টেড প্ৰতিষ্ঠানক জাতীয় উদ্যোগ প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডৰ নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰিবলৈ উদ্যোগটোৰ এচাম বৰমূৰীয়াই কেনেদৰে উঠিপৰি লাগিছিল সেয়া আমি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে স্পষ্টকৈ আঙুলিয়াই দিয়াৰ পিছত বিতৰ্কিত এডুটেষ্টক অপসাৰিত কৰিবলৈ বাধ্য হৈছিল অইল ইণ্ডিয়া। কিন্তু মাছ বুলি নাখাই জিজি বুলি খোৱাৰ দৰে নীতি অৱলম্বন কৰি অইল ইণ্ডিয়াৰ একাংশ শীৰ্ষ বিষয়াই পুনৰ এডুকুইটী নামৰ আন এটা ব্লেক লিষ্টেড প্ৰতিষ্ঠানক নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰিবলৈ যো-জা চলাইছে। এই এডুকুইটী নামৰ প্ৰতিষ্ঠানটোক ২০২০ চনত নীট আৰু এনটিএ পৰীক্ষাত প্ৰশ্নকাকত ফাদিল হোৱা আৰু পৰীক্ষাকেন্দ্ৰত হোৱা বেমেজালীৰ বাবে চেণ্ট্ৰেল ডাইৰেক্টৰ জেনেৰেল অব ট্ৰেইনিং বিভাগে ব্লেক লিষ্টেড ঘোষণা কৰে। তদুপৰি ২০২২ চনত এডুকুইটী নামৰ এই প্ৰতিষ্ঠানটোৱে মধ্যপ্ৰদেশৰ টেট পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে উপ-ঠিকা লাভ কৰিছিল যদিও উক্ত পৰীক্ষাত প্ৰশ্নকাকত ছ'চিয়েল মিডিয়াত ভাইৰেল কৰাৰ অভিযোগ আছে প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে। এই ঘটনাৰ এবছৰ পিছতে পুনৰ মধ্যপ্ৰদেশ চৰকাৰৰ পাটৱাৰী পৰীক্ষা অনুষ্ঠিত কৰাৰ ঠিকা লাভ কৰে যদিও এই পৰীক্ষাতো পৰীক্ষাকেন্দ্ৰৰ বেমেজালি সংঘটিত কৰে। আনহাতে, ২০২৩ চনৰ মাৰ্চ মাহত মহাৰাষ্ট্ৰ কমন এনট্ৰেন্স টেষ্ট চেল-এ উক্ত প্ৰতিষ্ঠানটোক এমবিএ পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব প্ৰদান কৰিছিল। কিন্তু এই পৰীক্ষাতো প্ৰশ্নকাকত ফাদিল হোৱাৰ লগতে পৰীক্ষা কেন্দ্ৰত ব্যাপক হাৰত নকলৰ পয়োভৰ ঘটিছিল। এই ঘটনাৰ তদন্ত বিচাৰি ১৫০ গৰাকী পৰীক্ষাৰ্থীয়ে বম্বে উচ্চ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰিছিল। গতিকে এনে এটা কলংকৰ দাগ থকা প্ৰতিষ্ঠানক পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব প্ৰদান কৰি অইল ইণ্ডিয়াই শিক্ষিত নিবনুৱাক আৰম্ভণিতেই আশাহত কৰিছে। আমি আশ্চৰ্য প্ৰকাশ কৰিছো, কি কাৰণে অইল ইণ্ডিয়াই বাৰে বাৰে ব্লেক লিষ্টেড তথা কলংকৰ দাগ থকা প্ৰতিষ্ঠানক পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব অৰ্পণ কৰি আহিছে। নে অইলৰ কোনো শীৰ্ষ বিষয়াৰ কিবা লাভৰ অংকত বাৰে বাৰে এনে কৰা হৈছে। আমি অইল ইণ্ডিয়াক কলংকৰ দাগ নথকা এটা প্ৰতিষ্ঠানক ৪৩২ টা কাৰিকৰী পদৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব প্ৰদান কৰিবলৈ দাবী জনাইছো । এইবাৰো যদি স্বচ্ছতাৰে নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰিব নোৱাৰে তেন্তে অইল ইণ্ডিয়াই পুনৰবাৰ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ পৰা প্ৰবল প্ৰতিৰোধ সন্মুখীন হ'ব সেয়া আমাৰ স্পষ্ট কথা। তদুপৰি ২০২৪ বৰ্ষত এই ৪৩২ টা পদত অনুষ্ঠিত হ'ব লগা অইল ইণ্ডিয়া লিমিটেডৰ কাৰিকৰী পৰীক্ষা এডুটেষ্ট নামৰ প্ৰতিষ্ঠানটোৰ দুৰ্নীতিৰ বাবে পৰীক্ষা বাতিল কৰিছিল যদিও ইয়াৰ পূৰ্বে অইল ইণ্ডিয়া লিমিটেডে অনুষ্ঠিত কৰিবলৈ দিয়া ১৮৭ পদৰ পৰীক্ষাতো ব্যাপক অনিয়ম সংঘটিত হোৱাৰ আমি তথ্যভিত্তিক প্ৰমাণ প্ৰদান কৰিছিলো। কিন্তু সেই অনিয়মেৰেই উক্ত পদকেইটাৰ নিযুক্তি সম্পূৰ্ণ কৰিলে। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে প্ৰথম অৱস্থাৰেপৰা বিৰোধিতা কৰি আহিছিলো এডুটেষ্ট প্ৰতিষ্ঠানটোৰ কলংকিত অধ্যায়ৰ বিৰুদ্ধে। তাৰপাছতো অইল ইণ্ডিয়াই বিষয়টোত গুৰুত্ব প্ৰদান নকৰিলে। তাৰ বিপৰীতে দুৰ্নীতিৰ বিৰুদ্ধে আন্দোলন কাৰ্যসূচী কৰাৰ বাবে আমাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিলে যি আজিপৰ্যন্ত চলি আছে। পুনৰবাৰ যাতে এডুকুইটী নামৰ প্ৰতিষ্ঠানটোৰ জৰিয়তে অসমতো অনুৰূপ ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰবাবে সংবাদ মাধ্যমৰ লগতে দুলীয়াজন অঞ্চলৰ সচেতন মহলক তীক্ষ্ণ নজৰ ৰাখিবলৈ আহ্বান জনাই ছাত্ৰনেতাজনে।

# যোগীঘোপাৰ জিএছটিৰ অভিযানক লৈ সন্দেহ ৰাইজৰ দলৰ

**ই-সংবাদ, ২১ ফেব্ৰুৱাৰীঃ** মেঘালয়ৰ গাৰো পাহাৰৰ কয়লাৰ চিণ্ডিকেট চলিছে গোৱালপাৰা তথা যোগীঘোপাত। সেউজীয়া পাহাৰ ধ্বংস কৰি ট্ৰাকেৰে গোৱালপাৰা-যোগীঘোপালৈ কঢ়িয়াই অনা কয়লাৰ চিণ্ডিকেট চলাইছে দিছপুৰৰ একেবাৰে ঘনিষ্ঠ কেইজনমান চিণ্ডিকেট মাফিয়াই। এই মাফিয়া গেঙটোৱে কমেও সপ্তাহত ৮০০ খন কয়লা ভৰ্তি ট্ৰাক অসমৰ মাজেৰে বহিঃৰাজ্যলৈ প্ৰেৰণ কৰি আহিছে। এই চিণ্ডিকেটত মেঘালয়ৰ পূব গাৰোপাহাৰৰ ৰংজেন সমষ্টিৰ বিধায়ক জি.এম চাংমা জড়িত থকাৰ অভিযোগ উত্থাপন হৈ হৈছে। ইপিনে অসমৰ গোৱালাপাৰত চিণ্ডিকেট চলাইছে দিছপুৰৰ কেবাগৰাকী মন্ত্ৰীৰ ঘনিষ্ঠ ৰহিম জিব্ৰান, ছাইদুল ইছলাম, নবীন সিংহল, ছাইদুল ইছলাম, সুনিল বাঞ্চাল আদিয়ে বুলি অভিযোগ উত্থাপন হৈ আহিছে। ১৩ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় জিএছটি বিভাগে যোগীঘোপাৰ কয়লা বজাৰত অভিযান চলায়। বৈধ নথি-পত্ৰ নোহোৱাকৈ কেইবা শতাধিক কয়লা সৰবৰাহ কৰা কয়লা ভৰ্তি ট্ৰাক ধৰা পৰে। কিন্তু কেন্দ্ৰীয় জিএছটিৰ দলে তদন্তৰ নামত নথি-পত্ৰ পৰীক্ষা কৰিলে ঠিকেই কিন্তু আজিলৈ এটা গোচৰ ৰুজু নহ'ল। এখন জাননী প্ৰদান নকৰিলে। সোধ-পোছৰ বাবে জাননী জাৰি কৰিবলৈ সাহস নহ'ল। যাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তাৰ মাজতে আজি ৰাইজৰ দলে এখন সংবাদমেল সম্বোধন এই চিণ্ডিকেটত মুখ্যমন্ত্ৰীৰ লগতে দিছপুৰৰ বহু মন্ত্ৰী জড়িত থকাৰ সন্দেহ কৰিছে। সংবাদমেলত বঙাইগাঁও ৰাইজৰ দলৰ নেতা মুহিধৰ ৰায়ৰ অভিযোগ জিএছটিৰ টিম এটা আহি অভিযান চলায়। অভিযানত দেখে যে প্ৰতিখন ট্ৰাকে কৰ ফাকি দি আছে। বহু ট্ৰাক থিয় কৰাই জিএছটি ফাকি দিয়াৰ প্ৰমাণ পোৱাৰ পিছতো জিএছটি কৰ্তৃপক্ষই কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। আজিলৈ এখন জাননী প্ৰদান কৰা নাই। এজন মানুহক সোধা-পোছ কৰা নাই। গ্ৰেপ্তাৰ কৰা হোৱা নাই। বিগত সময়ত থানাত এজাহাৰ লিখি দিয়া মানুহক থানাত দালালি কৰা বুলি গ্ৰেপ্তাৰ কৰা হৈছিল। কিন্তু কয়লাৰ চিণ্ডিকেটৰ সৈতে জড়িত আছে ৰহিন জিব্ৰান। সংবাদমাধ্যমত নাম চৰ্চা হৈ থকাৰ কথা দোহাৰি নেতাজনে কয় যে ৰহিম জিব্ৰানৰ নাম চৰ্চা হৈছে। তাৰ লগতে আছে ছাইদুল ইছলাম। তেওঁক গোৱালপাৰাৰ মানুহে গাৰো বুলি জানে। এই কয়লা ব্যৱসায়ত গোটেই চৰকাৰৰ প্ৰশাসনিক ব্যৱস্থাটো জড়িত আছে। যিটো বস্তু আমি সৃষ্টি কৰিব নোৱাৰো তাক ধ্বংস কৰিব নালাগে। পাহাৰ প্ৰকৃতিৰ দান। কিন্তু প্ৰকৃতিৰ দান পাহাৰ ধ্বংস কৰি কয়লা উলিয়াই থকা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক বিচক্ষণ মুখ্যমন্ত্ৰী আখ্যা দি কটুক্তি কৰি মুহিধৰ ৰায়ে কয় যে এইজন মুখ্যমন্ত্ৰীৰ দিনটো প্ৰকৃতিৰ ধ্বংস চলিছে। এই কয়লা চিণ্ডিকেটত মুখ্যমন্ত্ৰী জড়িত থকাৰ সন্দেহ কৰি ৰাইজৰ দলৰ নেতা মুহিধৰ ৰায়ে কয় যে মুখ্যমন্ত্ৰীৰ দিনত প্ৰকৃতি ধ্বংস হ'লে এজন ৰিক্সাৱালা-ঠেলাৱালাৰ দৰেই মুখ্যমন্ত্ৰীয়ে কাৰ্বনডাই অক্সাইড কম পাব বুলি দাবী কৰি অবৈধ কয়লা খননৰ নামত প্ৰকৃতি ধ্বংস নকৰিবলৈ দাবী জনায়। মুহিধৰ ৰায়ে কয় যে বৈধ কয়লাৰ খনন হ'লে ৰাজহ চৰকাৰে পায়। অবৈধ হ'লে এজন মাফিয়া, মন্ত্ৰী আদিয়ে টকা পায়। শীঘ্ৰে ছিণ্ডিকেট বন্ধ কৰিবলৈ দলটোৱে সংবাদমেলত দাবী জনায়।

# সাংসদ ৰকিবুলক আক্ৰমণৰ বিৰুদ্ধে কোকৰাঝাৰত কংগ্ৰেছৰ প্ৰতিবাদ

**ই-সংবাদ, কোকৰাঝাৰ, ২১ ফেব্ৰুৱাৰীঃ** ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনৰ ওপৰত হোৱা আক্ৰমণক তীব্ৰ নিন্দা, গৰিহণা দি ন্যায় প্ৰদানৰ দাবীত আজি কোকৰাঝাৰ জিলা কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰে। কোকৰাঝাৰ জিলা কংগ্ৰেছৰ সভাপতি প্ৰেম হাসদাৰ নেতৃত্বত কোকৰাঝাৰ জিলা কংগ্ৰেছৰ কাৰ্যালয়ত অনুষ্ঠিত হোৱা প্ৰতিবাদী কাৰ্যসূচীত শতাধিক কংগ্ৰেছ কৰ্মীয়ে অংশগ্ৰহণ কৰি আক্ৰমণকাৰীক শীঘ্ৰ গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদান কৰাৰ দাবী জনায়। তদুপৰি উক্ত ঘটনাৰ ন্যায়ৰ দাবীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যলৈ জিলা উপায়ুক্তৰ জৰিয়তে কংগ্ৰেছে এক স্মাৰক পত্ৰ প্ৰেৰণ কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বে কোকৰাঝাৰ জিলা কংগ্ৰেছ কাৰ্যালয়ত এক সংবাদমেল অনুষ্ঠিত হয়। সংবাদমেলত অংশগ্ৰহণ কৰি অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক গৰ্জন মুছাহাৰী আৰু জিলা কংগ্ৰেছ সভাপতি প্ৰেম হাসদাই ধুবুৰীৰ লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনৰ ওপৰত হোৱা আক্ৰমণক তীব্ৰ নিন্দা, গৰিহণা দি দোষীৰ কঠোৰ শাস্তিৰ দাবী উত্থাপন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত আইন-শৃংখলা বৰ্তাই ৰখাত ব্যৰ্থ হৈছে বুলি মন্তব্য কৰি ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ ওপৰত হোৱা আক্ৰমণ গণতান্ত্ৰিক মূল্যবোধ আৰু আইনী শাসনৰ ওপৰত হোৱা এটা দুৰ্ভাগ্যজনক আঘাত বুলি মত প্ৰকাশ কৰে। উক্ত ঘটনাটোক গণতন্ত্ৰৰ পৰিপন্থী আখ্যা দি দোষীক কৰায়ত্ত কৰি কঠোৰ শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰে জিলা কংগ্ৰেছে।

# তালাপ পেট্ৰ'ল পাম্পৰ পৰা অন্তৰ্ধান ১৬ চকীয়া ট্ৰাক, চাঞ্চল্য

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২১ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত তালাপ বালিবজাৰস্থিত মাকুম মৰ্টৰ্চ, তালাপ (আই অ' চি এল) ত ৰাখি থোৱা এখন ১৬ চকীয়া ট্ৰাক অন্তৰ্ধান হোৱাৰ ঘটনাই বৃহত্তৰ তালাপ অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, আন্তঃৰাজ্যিক পথত চলা তালাপ বালিবজাৰ (কালীবাড়ী) ৰ কুলবিন্দৰ কৌৰ মালিকানাধীন এন এল ০১ এ জি ০২১৩ নম্বৰৰ ১৬ চকীয়া ট্ৰাকখন মণিপুৰৰ পৰা কালি আহি তালাপ বালিবজাৰৰ কালি মন্দিৰৰ কাষতে থকা মালিকক দেখা কৰাৰ উদ্দেশ্যেৰে আহি পেট্ৰল পাম্পটোত ৰাখিছিল ট্ৰাকখন। নিশা প্ৰায় ৮ মান বজাত ট্ৰাকখনৰ চালক-হেণ্ডিমেনে পাম্পটোৰ সমীপৰ মালিকৰ ঘৰলৈ গৈ তাতে খোৱা-বোৱা কৰি নিশা ৯ মান বজাত গাড়ীত শুবলৈ আহি দেখে যে ট্ৰাকখন ৰখা স্থানত নাই। লগে লগে হুৱা-দুৱাৰ সৃষ্টি হয়। ঘটনাৰ সম্পৰ্কে নিশাই সমীপৰ স্থানীয় তালাপ আৰক্ষী চকীত খবৰ দিয়াত আৰক্ষীৰ দলে নিশাই ট্ৰাকখনৰ সন্ধানত নামি পৰে যদিও এই বাতৰি লিখা পৰলৈকে আৰক্ষীয়ে ট্ৰাকখনৰ একো শুংসূত্ৰই উলিয়াব পৰা নাই। সন্ধিয়াতে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ পেট্ৰল পাম্পৰ পৰাই এখন ১৬ চকীয়া ট্ৰাক নাই বোলোতেই নোহোৱা হোৱাৰ ঘটনাই সকলোকে ভবাই তুলিছে। ঘটনাটোক কোনেও সহজভাৱে লব পৰা নাই। ট্ৰাকখন উদ্ধাৰ কৰিবলৈ সক্ষম হব নে, সেয়া লক্ষণীয় হব!

# বৰমাৰ কদমতলাত ভণ্ড কবিৰাজে লুটি নিলে আ-অলংকাৰ

**ই-সংবাদ, বৰমা, ২১ ফেব্ৰুৱাৰীঃ** আপুনি বাৰু তন্ত্ৰ-মন্ত্ৰত বিশ্বাস কৰে নেকি? তেন্তে সাৱধান! তন্ত্ৰ-মন্ত্ৰৰ বিশ্বাসেই কাল হ'ল এটা পৰিয়ালৰ। বাটৰুৱা কবিৰাজে লুটিলে বৰমাৰ কদমতলাৰ এটা পৰিয়ালক! কদমতলাৰ ভূপেন ঠাকুৰীয়া দীৰ্ঘদিন ধৰি আক্ৰান্ত হৈ আছে জটিল ৰোগত। চিকিৎসাৰ নামত বহু ধন ব্যয় কৰা ভূপেন ঠাকুৰীয়াই এদিন আগত গাঁৱতেই লগ পাইছিল বাইকত অহা অচিনাকি দুই কবিৰাজক। এই কবিৰাজে ভূপেন ঠাকুৰীয়াক জৰা-ফুকা কৰি ৰোগ নিৰাময়ৰ বাবে দিছিল বিশ্বাস। এই বিশ্বাসেই যেন কাল হ'ল পৰিয়ালটোৰ! বৃহস্পতিবাৰে পুৱা ঘৰলৈ আহি দুই কবিৰাজে তন্ত্ৰ-মন্ত্ৰৰে সোণৰ গহণা লুটি নিয়া বুলি



অভিযোগ তোলে পৰিয়ালে। এই ঘটনাৰ পিছতেই কবিৰাজে ব্যৱহাৰ কৰা ম'বাইল ফোন অফ কৰি পলায়ন কৰে। ঘটনাৰ সন্দৰ্ভত ভুক্তভোগী পৰিয়ালটোৱে কাষ চাপে আৰক্ষীৰ। ইতিমধ্যে সমগ্ৰ ঘটনা সন্দৰ্ভত স্থানীয় দলবাৰী আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে ভুক্তভোগী ভূপেন ঠাকুৰীয়াৰ পৰিয়ালে।

# নগাঁৱৰ পশ্চিম শিলপুখুৰী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰত আজৱ কাণ্ড

## পৰীক্ষাৰ্থীৰ পৰা উদ্ধাৰকৃত নকলৰ টুকুৰাৰে ভৰি পৰিল পাঁচি

**ই-সংবাদ, বেবেজীয়া, ২১ ফেব্ৰুৱাৰীঃ** ৰাজ্যত এতিয়া পৰীক্ষাৰ বতৰ। পুৰাদমে চলি আছে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনৰ বাবে অতিকে গুৰুত্বপূৰ্ণ এই পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ বাবে শিক্ষা বিভাগে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহন কৰিছে। কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা যাতে সংঘটিত হ'ব নোৱাৰে তাৰ নিমিত্তে আৰক্ষী আৰু শিক্ষকৰ দ্বাৰা কঠোৰ সুৰক্ষা ব্যৱস্থা গ্ৰহন কৰা হৈছে। আনকি নকলৰ পয়োভৰ ৰুধ কৰাৰ বাবে বিভাগীয়ভাৱে জাৰি কৰা বিভিন্ন নিৰ্দেশনা কঠোৰভাৱে পালন কৰাৰ লগতে পৰীক্ষাৰ্থীসকলক নিছিদ্ৰ তালাচীৰ মাজেৰেহে পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰিবলৈ দিয়া হৈছে। আৰক্ষী আৰু পৰীক্ষা কেন্দ্ৰৰ কৰ্তৃপক্ষৰ এনে নিছিদ্ৰ তালাচীৰ কালত নগাঁও আৰু মৰিগাঁও জিলাৰ সীমান্তৰ এটা পৰীক্ষা কেন্দ্ৰত সংঘটিত হোৱা আজৱ কাণ্ডই সকলোৰে চকু কপালত তুলিছে। হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হৈ থকা এই কেন্দ্ৰটো হৈছে পশ্চিম শিলপুখুৰী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰ। আচলতে, এই পৰীক্ষা কেন্দ্ৰটোৰ একাংশ পৰীক্ষাৰ্থীৰ পৰা উদ্ধাৰ কৰা হয় জাপে জাপে নকলৰ টুকুৰা। আনকি পৰীক্ষাৰ্থীসকলৰ পৰা উদ্ধাৰ কৰা নকলৰ টুকুৰাই ভৰি পৰে পাঁচি। জানিব পৰা মতে, কেন্দ্ৰটোত শুকুৰবাৰে পুৱাবেলা আছিল মেট্ৰিকৰ অংক বিষয়ৰ পৰীক্ষা। আনদিনাৰ দৰেই বিভাগীয় নীতি-নিৰ্দেশনা অনুসৰি পৰীক্ষা কেন্দ্ৰটোৰ কৰ্তৃপক্ষই পৰীক্ষা কেন্দ্ৰৰ প্ৰৱেশদ্বাৰৰ সন্মুখত ঠিয় কৰাই তন্ন-তন্ন কৈ তালাচী চলায় পৰীক্ষাৰ্থীসকলক। এনেদৰে শিক্ষয়িত্ৰীয়ে ছাত্ৰীক আৰু শিক্ষকে ছাত্ৰক তন্ন-তন্ন কৈ তালাচী চলাওতেই একাংশ পৰীক্ষাৰ্থীৰ পৰা উদ্ধাৰ হয় জাপে জাপে নকলৰ টুকুৰা। কাৰোবাৰ ভৰিৰ মোজাৰ ভিতৰত পৰা, কাৰোবাৰ জোতাৰ ভিতৰৰ পৰা আৰু আন কাৰোবাৰ আকৌ চোলাৰ ভিতৰৰ পৰা গোপনে লৈ অনা নকলৰ টুকুৰা উদ্ধাৰ কৰা হয় । কাজেই, এনেদৰে পৰীক্ষাৰ্থীৰ পৰা জাপে জাপে নকলৰ টুকুৰা উদ্ধাৰ হোৱা ঘটনাই সচেতন মহলক হচকিত কৰি তুলিছে। পৰীক্ষাৰ বাকী দিনত এনে নোহোৱাৰ কামনা কৰিছে ৰাইজে।

## ধ্বংসৰ গৰাহত গ্ৰাম্য অৰ্থনীতি, গভীৰ সমস্যাত গঞ্জা ৰাইজ

# নগাঁৱৰ পশ্চিমাঞ্চলত অভাৱনীয় ৰূপত বৃদ্ধি পাইছে কপিগণৰ সন্ত্ৰাস

**ই-সংবাদ, বেবেজীয়া, ২১ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলত অভাৱনীয়ৰূপত বৃদ্ধি পোৱা কপিগণৰ সন্ত্ৰাসে গঞ্জাৰাইজক গভীৰ সমস্যাৰ সন্মুখীন কৰাইছে। কপিগণৰ এনে সন্ত্ৰাসে এতিয়া জিলাখনৰ চকলাঘাট, ব্ৰাহ্মণগাঁও, গেদাৰবড়ি, কুৰুৱাবাহী, বেবেজীয়া, জাজৰি, ৰাইদঙীয়া, নসত্ৰ, কৰচুং, ভোগবাৰী, শিমলুতল, মাজগাঁও, কাকমাৰী, ভালুকমাৰী, নমাটি, হাতীচোং চমুৱাগাঁও, জামুগুৰি আদি অঞ্চলৰ সৰ্বস্তৰৰ জনতাৰ স্বাভাৱিক জীৱন প্ৰণালীত বাৰুকৈয়ে ব্যাঘাত জন্মাইছে। আনকি শেহতীয়াকৈ গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা থানৰ লগতে ইয়াৰ শলগুৰি সত্ৰ আৰু নৰোৱা সত্ৰটো কপিকুলৰ সন্ত্ৰাস আৰম্ভ হোৱা পৰিলক্ষিত হৈছে। আচলতে, উন্নয়নৰ নামত চলা বনাঞ্চল ধ্বংসই কপিকুলৰ আৱাসস্থলী সংকুচিত কৰি পেলোৱাৰ বিপৰীতে পৰ্যাপ্ত খাদ্যৰ সংকট আহি পৰাৰ বাবেই এনেদৰে বান্দৰৰ জাক জনাঞ্চললৈ ওলাই আহি উপদ্ৰৱ চলোৱাত এতিয়া চৰম দুৰ্ভোগ ভুগিবলগীয়াত পৰিছে গঞ্জাৰাইজে। ফলত সৃষ্টি হোৱা বান্দৰ মানুহৰ সংঘাতৰ হেতু জুৰুলা হ'বলগীয়া হৈছে উপৰিক্ত গ্ৰামাঞ্চলবোৰৰ সৰ্বস্তৰৰ জনতা। তদুপৰি গ্ৰামাঞ্চলবোৰত থকা সৰু সৰু হাবিসমূহো এচাম সুবিধাবাদী লোকৰ হাতত পৰি ধ্বংস হৈ অহাৰ পৰিণতিত বান্দৰৰ জাকে খাদ্যৰ সন্ধানত মানুহৰ প্ৰতি আক্ৰমণাত্মক হৈ পৰিব ধৰিছে। কিয়নো কিছুদিনৰ পূৰ্বে বটদ্ৰৱা অঞ্চলৰ 'ৰাভা' উপাধিৰ এগৰাকী ভাৰাতীয়া মহিলা বান্দৰৰ আক্ৰমনত আঘাতপ্ৰাপ্ত হোৱাৰ সমান্তৰালভাৱে ৰাইদঙীয়া, চকলাঘাট, চমুৱাগাঁও আদি অঞ্চলৰ কেইবাজনো লোকো বান্দৰৰ আক্ৰমনৰ সন্মুখিন হ'বলগীয়া হোৱাটোৱে তাকেই প্ৰমাণিত কৰিছে। ইফালে, উক্ত গ্ৰামাঞ্চলবোৰৰ কৃষকসকলে বৰ্তমান বান্দৰৰ দৌৰাত্ম্যৰ বাবেই বিভিন্ন শাক-পাচলি, ফল-মূল আদিৰ খেতি কৰিবলৈ বাদ দিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। আনকি গঞ্জাৰাইজে কৰা শাক-পাচলি, ফল-মূল আদি এফালৰ পৰা চাহি-মুহি শেষ কৰি শেহতীয়াকৈ মানুহৰ ঘৰৰ ভিতৰত সোমাই সাঁচি ৰখা খাদ্য সামগ্ৰীৰ উপৰি ৰান্ধি থোৱা ভাত, দাইল, তৰকাৰী, পিঠা পনা আদি খাই এক প্ৰকাৰে সন্ত্ৰাস চলাবলৈ ধৰিছে। কিন্তু পৰিতাপৰ কথা যে, এইবোৰ দেখিও গঞ্জাৰাইজৰ ভূমিকা কেৱল নীৰৱ দৰ্শক। এক কথাত প্ৰতিদিনে জাক পাতি আহি চলোৱা কপিকুলৰ তাণ্ডৱত এতিয়া গঞ্জাৰাইজ দিশহাৰা। গতিকে, ইয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ আশাৰে ভুক্তভোগী পশ্চিম নগঞা ৰাইজে বান্দৰৰ এনে উপদ্ৰৱক ৰাজ্যিক সমস্যাৰূপে ঘোষণা কৰাৰ লগতে বান্দৰৰ জন্ম নিয়ন্ত্ৰণ, স্থানান্তৰকৰণ তথা বান্দৰৰ বাবে বনাঞ্চল সৃষ্টিৰ দাবী তুলিছে।



ঝুমুৰ নৃত্য প্ৰদৰ্শনীৰ প্ৰস্তুতিৰ বুজ লৈছে মুখ্যমন্ত্ৰী ড০ শৰ্মাই

# ৰকিবুল হুছেইনক আক্ৰমণৰ ঘটনাক গৰিহণা মুছলিম ছাত্ৰ সন্থা অসম(মুছা)ৰ

**ই-সংবাদ, লাহৰীঘাট, ২১ ফেব্ৰুৱাৰীঃ** সাংসদ ৰকিবুল হুছেইন আৰু তেওঁৰ দেহৰক্ষীক দিন দুপৰতে মুখত ক'লা কাপোৰ বান্ধি এটি দুৰ্বৃত্তৰ দলে বাট আগচি ধৰি আক্ৰমণ কৰা ঘটনাক তীব্ৰ গৰিহনা দিছে মুছলিম ছাত্ৰ সন্থা অসম(মুছা)ৰ সভাপতি আশ্বিক ৰাব্বানীয়ে। এজন নিৰ্বাচিত সাংসদ আৰু আৰক্ষীক আক্ৰমণ কৰাসকলে ৰেহাই পাব নালাগে। আক্ৰমণকাৰীক কঠোৰ শাস্তি দিব লাগে বুলি কয় সভাপতিগৰাকীয়ে। অসমত এগৰাকী নিৰ্বাচিত জনপ্ৰতিনিধিক নিৰাপত্তা
দিব পৰা নাই ৰাজ্য চৰকাৰে, তেন্তে সাধাৰণ ৰাইজৰ নিৰাপত্তা কেনেকৈ দিব বুলি প্ৰশ্ন কৰে মুছাৰ সভাপতি আশ্বিক ৰাব্বানীয়ে। 'অসমত আইন শৃংখলা আছে নে নাই?' 'গৃহ বিভাগ সম্পূৰ্ণৰূপে বিফল হৈছে' বুলি কৈ 'গৃহ বিভাগ চলোৱাত মুখ্যমন্ত্ৰী ব্যৰ্থ হৈছে' বুলি অভিযোগ কৰে মুছলিম ছাত্ৰ সন্থা অসম (মুছা)ৰ সভাপতি আশ্বিক ৰাব্বানীয়ে। নগাঁও আৰক্ষী কঠোৰ হোৱা হ'লে এইধৰণৰ ঘটনা সংঘটিত নহ'লহেঁতেন বুলি কয় সভাপতিগৰাকীয়ে। সাংসদ ৰকিবুল হুছেইন ওপৰত হোৱা আক্ৰমণৰ ঘটনাৰ এক ন্যায়িক তদন্ত কৰি দোষীক শাস্তি দিয়াৰ দাবী জনায় মুছলিম ছাত্ৰ সন্থা অসম (মুছা)ৰ সভাপতি আশ্বিক ৰাব্বানীয়ে।

## চেঙাৰ বাঘমাৰাত সাংসদ ৰকিবুল হুছেইনক কৰা আক্ৰমণৰ প্ৰতিবাদ

**ই-সংবাদ, শিমলীতোলা, ২১ ফেব্ৰুৱাৰীঃ** ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত চেঙাৰ বাঘমাৰা চৰ বজাৰত সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰা সম্পৰ্কে কংগ্ৰেছ দলৰ সৰ্ব স্তৰৰ নেতাকৰ্মীয়ে বৃহস্পতিবাৰে গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰে। নগাঁৱৰ ৰূপহীহাটত সংগঠিত হোৱা ঘটনাক তীব্ৰ ভাষাৰে গৰিহনা দি চেঙাৰ বাঘমাৰা চৰ বজাৰত এখনি প্ৰতিবাদী কাৰ্যসূচী হাতত লোৱা পৰিলক্ষিত হয়। উল্লেখ্য যে, আজি নগাঁৱৰ ৰূপহীহাটত কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা তথা ধুবুৰী লোকসভাৰ সাংসদ ৰকিবুল হুছেইনৰ লগত হোৱা হিংসাত্মক ঘটনাক গৰিহণা দি দোষীক চিনাক্ত কৰি শাস্তি প্ৰদানৰ দাবী জনায়। প্ৰতিবাদকাৰীসকলে মুখ্যমন্ত্ৰীৰ প্ৰতিমূৰ্তি দাহ কৰাৰ লগতে মুখ্যমন্ত্ৰী হিমন্ত শৰ্মা মুৰ্দাবাদ, আক্ৰমণকাৰীক গ্ৰেপ্তাৰ কৰক, গৃহ বিভাগ হায় হায় ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। উক্ত প্ৰতিবাদস্থলীত আলোপতি চৰ আৰক্ষী বাহিনীয়ে ঘটনাস্থলীত উপস্থিত হৈ প্ৰতিবাদকাৰীক বাধা প্ৰদান কৰে যদিও প্ৰতিবাদকাৰীয়ে আৰক্ষীকো জবাব দিহি কৰে আৰু ৰাজহুৱা স্থানত এজন নিৰ্বাচিত জনপ্ৰতিনিধিক শাৰীৰিকভাৱে আঘাত কৰাত অসম আৰক্ষীৰ ভূমিকাক লৈ প্ৰশ্ন উত্থাপন কৰে। উক্ত প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে চেঙা সমষ্টিৰ কংগ্ৰেছ দলৰ যুৱ নেতাৰ লগতে ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিভিন্ন স্তৰৰ নেতা-কৰ্মীসকল। প্ৰতিবাদস্থলীৰ পৰা চৰকাৰক সকীয়নি প্ৰদান কৰি কয় যে অতি শীঘ্ৰে আক্ৰমণকাৰী দুৰ্বৃত্তৰ দলক চিনাক্ত কৰি কঠোৰ শাস্তিৰ ব্যৱস্থা কৰক, অন্যথা ইয়াতকৈ ভয়াৱহ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব।

## কলংপৰীয়া কবি দেৱকান্ত বৰুৱাৰ ১১১ সংখ্যক জন্মদিৱসৰ আয়োজন

**ই-সংবাদ, পুৰণিগুদাম, ২১ ফেব্ৰুৱাৰীঃ** কলংপৰীয়া কবি দেৱকান্ত বৰুৱাৰ ১১১ সংখ্যক জন্ম দিৱসটি অহা ২২ ফেব্ৰুৱাৰীত পুৰণিগুদাম কবি সন্মিলনে ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰয়াত মুক্তিযোদ্ধা মহেন্দ্ৰ নাথ বৈৰাগীৰ সোঁৱৰণত অসমৰ সাহিত্য-সংস্কৃতিৰ বৰঘৰ নগাঁও জিলাৰ পুৰণি সদৰ পুৰণিগুদাম গড়মূৰত অনুষ্ঠিত কৰিব বুলি জানিবলৈ দিছে সন্মিলনৰ সভাপতি তথা লেখক নবীন কলিতাই। 'চোতালে-চোতালে কবিৰ সভা আৰু কবিতা পাঠ' শীৰ্ষক অনুষ্ঠানটিত বিশিষভাৱে সাহিত্য অকাডেমিৰ যুৱ সাহিত্য বঁটা প্ৰাপক, শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক কবি ড০ কমল কুমাৰ তাঁতি, নগাঁও মহাবিদ্যালয়ৰ অধ্যাপক ড০ বসন্ত বৰা আদিকে ধৰি ৰাজ্যখনৰ বহুকেইজন কবি-সাহিত্যিকে অংশগ্ৰহণ কৰিব। পুৰণিগুদাম কবি সন্মিলনে উক্ত অনুষ্ঠানত উপস্থিত থাকিবলৈ ৰাইজক আহ্বান জনাইছে।

## গোলকগঞ্জত ড্ৰাগছসহ এজন সৰবৰাহকাৰীক আটক

**ই-সংবাদ, গোলকগঞ্জ, ২১ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জত আজি সন্ধিয়া ড্ৰাগছসহ এজন সৰবৰাহকাৰীক আটক কৰে আৰক্ষীয়ে। আটকাধীন গোলকগঞ্জ এক নং ৱাৰ্ডৰ হোসেন আলী সেখৰ পুত্ৰ নুৰ হক(৩২)। জানিব পৰা মতে, দীৰ্ঘদিনৰ পৰাই নুৰ হকে ঘৰৰ পৰাই নিচাযুক্ত টেবলেট আৰু মাৰাত্মক ব্ৰাউন ছুগাৰৰ ব্যৱসায় চলাই আহিছে। আজি গোপন খবৰৰ ভিত্তিত গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত কলিতাই ঘৰখনত অতৰ্কিতে অভিযান চলায়। অভিযানত ঘৰখনত তালাচী চলাই চৌষষ্টি টা নিচাযুক্ত পাইভন স্পাছ প্লাছ নামৰ টেবলেটৰ লগতে সাতত্ৰিশটা সন্দেহজনক ব্ৰাউন ছুগাৰৰ কণ্টেইনাৰ উদ্ধাৰ কৰে। আৰক্ষীয়ে নুৰ হকক গ্ৰেপ্তাৰ কৰি অধিক তথ্যৰ বাবে সোধা-পোছা অব্যাহত ৰাখিছে।

## সাংসদ ৰকিবুলক আক্ৰমণক লৈ ৰঙিয়াত কংগ্ৰেছৰ সংবাদমেল

**ই-সংবাদ, ৰঙিয়া, ২১ ফেব্ৰুৱাৰীঃ** নগাও জিলাৰ ৰূপহীহাটত সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰাৰ ঘটনাক কেন্দ্ৰ কৰি আজি ৰঙিয়াত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে কংগ্ৰেছ দলৰ নেতা-কৰ্মীয়ে। দিন দুপৰতে সাংসদগৰাকীৰ লগতে পুত্ৰকো আক্ৰমণ কৰা দুৰ্বৃত্তক কৰায়ত্ত কৰিব নোৱাৰাত সংবাদমেলযোগে তীব্ৰ বিষেদগাৰ প্ৰকাশ কৰে কংগ্ৰেছ দলৰ নেতৃবৃন্দই। ৰঙিয়াৰ ৰাজীৱ ভৱনত অনুষ্ঠিত সংবাদমেলত অংশগ্ৰহণ কৰি দুৰ্বৃত্তক আটক কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰাৰ দাবী জনায় প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ বিবুলৰ ৰহমান, জিলা কংগ্ৰেছৰ উপ-সভাপতি মুৰতাজ ৰহমান, ব্লক কংগ্ৰেছৰ সভাপতি উদ্ধৱ দাস, উজ্জ্বল লহকৰ, মিলন চৌধুৰী প্ৰমুখ্যে নেতৃবৃন্দই। উক্ত ঘটনাত জড়িত দুৰ্বৃত্তক শীঘ্ৰে আটক কৰাৰ বাবে সজোৰে চৰকাৰলৈ আহ্বান জনায় নেতৃবৃন্দই।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।



অভিলেখৰ বাবে অব্যাহত ঝুমুৰ নৃত্যৰ অনুশীলন, সৰুসজাইত শুকুৰবাৰে

### ‘শুদ্ধভাৱে আমাৰ ভাষাটো ক'বলৈ আৰু লিখিবলৈ শিকা উচিত’

## নামতিত পিয়লি ফুকন শাখা সাহিত্য সভাৰ মাতৃভাষা দিৱস উদযাপন

**ই-সংবাদ, আমগুৰি, ২১ ফেব্ৰুৱাৰীঃ** শিৱসাগৰ জিলাৰ নামতি পিয়লি ফুকন শাখা সাহিত্য সভাৰ সৌজন্যত ১৫২ নং চেতিয়া কাটনি প্ৰাথমিক বিদ্যালয়ৰ সহযোগত ৰজাবাৰী চেতিয়া কাটনি প্ৰাথমিক বিদ্যালয়ত মাতৃভাষা দিৱস উদযাপন কৰা হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী তৃষ্ণা ফুকনে সভাপতিত্ব কৰা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নামতি অঞ্চলৰ এজন বিশিষ্ট শিক্ষাবিদ, সু-লেখক অৱসৰপ্ৰাপ্ত প্ৰবক্তা মোহিনী মহন্ত। ভাষণ প্ৰসংগত তেওঁ কয় যে, বিভিন্ন বিদেশী ভাষাই অতিথি হৈ আহি অসমীয়া ভাষাৰ অবিচ্ছেদ্য অংশ হৈ পৰিছে। এইদৰে অত্যাধিক বিদেশী ভাষা অসমীয়া ভাষাৰ লগত সংযুক্ত হোৱাটো বা ব্যৱহাৰ কৰাটো আমাৰ মাতৃভাষাৰ বাবে শুভ লক্ষণ নহয়। আমি শুদ্ধভাৱে আমাৰ ভাষাটো ক'বলৈ আৰু লিখিবলৈ শিকা উচিত। ছাত্ৰ-ছাত্ৰীসকল উপকৃত হোৱাকৈ তেওঁ অসমীয়া ভাষাৰ বিষয়ে ব্যাকৰণৰ বিষয়ে সুন্দৰ বক্তব্য আগবঢ়ায়। আইৰ মুখৰ ভাষাৰ আইনাম, বিয়ানাম, নিচুকনি গীত, ভাওনাৰ বচন আদি পৰিৱেশন কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। পিয়লি ফুকন শাখা সাহিত্য সভাৰ প্ৰাক্তন প্ৰতিষ্ঠাপক সম্পাদক দেৱযানী শইকীয়া গগৈয়ে মাতৃভাষা দিৱসৰ তাৎপৰ্য আৰু দিৱসটি উদযাপনৰ সুফলসমূহৰ বিষয়ে বক্তব্য আগবঢ়ায়। পিয়লি ফুকন শাখা সাহিত্য সভাৰ সহ-সম্পাদক বিজুমণি মহন্তই প্ৰতিটো বৰ্ণৰ পৰা কিদৰে সুন্দৰ কবিতা সৃষ্টি কৰিব পাৰি এই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে আৰু বিভিন্ন সুৰত কবিতাসমূহ গাবলৈ শিকায়। শাখাৰ সভাপতি মল্লিকা বেগমৰ মাতৃভাষাক লৈ প্ৰস্তুত কৰা এটি সুন্দৰ অভিভাষণ পাঠ কৰা হয়। সমজুৱাৰ দু-আষাৰত বিদ্যালয়ৰ শিক্ষক প্ৰবোধ চেতিয়াই কয় যে আমি এনে দিৱসসমূহ উদযাপন কৰাৰ লগতে মাতৃভাষাৰ বিদ্যালয়সমূহ জীয়াই ৰাখিবলৈ কৰ্ম আঁচনিও হাতত ল'ব লাগিব। বহু মাতৃভাষাৰ বিদ্যালয়ৰ ইতিমধ্যে মৃত্যু হৈছে। এয়া ভাষাৰ কাৰণেই অশনি সংকেত। বিদ্যালয়ৰ শিক্ষক শৰৎ গগৈ,মিনু কলিতা আদি উপস্থিত থকা অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰীসকলে মাতৃভাষাক শ্ৰদ্ধা জনাই গীত, কবিতা আদিৰ সুন্দৰ অনুষ্ঠান পৰিৱেশন কৰে। বিদ্যালয়ত ভৱিষ্যতেও পিয়লি ফুকন শাখা সাহিত্য সভাৰ উদ্যোগত ভাষা, সাহিত্য কেন্দ্ৰিক অনুষ্ঠান আয়োজন কৰিবলৈ প্ৰধান শিক্ষয়িত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে আহ্বান জনায়।

## সাংসদ ৰকিবুলক প্ৰহাৰক লৈ শিৱসাগৰত কংগ্ৰেছৰ প্ৰতিবাদ

**ই-সংবাদ, শিৱসাগৰ, ২১ ফেব্ৰুৱাৰীঃ** ধুবুৰীৰৰ সাংসদ ৰকিবুল হুছেইন আৰু তেওঁৰ পুত্ৰক কালি নগাঁৱৰ ৰূপহীহাটত দুষ্কৃতিকাৰীয়ে অতৰ্কিতে আক্ৰমণ কৰা ঘটনাক লৈ শিৱসাগৰতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। গৃহ বিভাগৰ চূড়ান্ত ব্যৰ্থতা তথা ফোপোলা স্বৰূপ উদঙাই ৰাজপথতে এগৰাকী জনপ্ৰতিনিধি আৰু তেওঁৰ পুত্ৰক প্ৰহাৰ কৰা ঘটনাক তীব্ৰ গৰিহণা দিছে শিৱসাগৰ জিলা কংগ্ৰেছে। এই ঘটনাক গণতন্ত্ৰৰ ওপৰত আক্ৰমণ আখ্যা দি আজি শিৱসাগৰ জিলা কংগ্ৰেছে চহৰখনত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে সদৰ থানাত এজাহাৰ দাখিল কৰে। শিৱসাগৰ জিলা কংগ্ৰেছৰ শতাধিক কৰ্মী তথা বিষয়ববীয়াই ৰাজীৱ ভৱনৰ চৌহদৰপৰা সমদল উলিয়াই সাব্যস্ত কৰে প্ৰতিবাদ। কংগ্ৰেছ কৰ্মীসকলে হাতে হাতে প্লে'কাৰ্ড, বেনাৰ লৈ ৰাজপথত সমদল উলিয়াই গৃহ বিভাগ হায় হায়, বিজেপি চৰকাৰ মুৰ্দাবাদ, সাংসদক আক্ৰমণ কৰা আক্ৰমণকাৰীক গ্ৰেপ্তাৰ কৰক আদি শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি জ্যেষ্ঠ কংগ্ৰেছ নেতা প্ৰবীণ বৰুৱাই সাংসদ ৰকিবুল হুছেইন আৰু তেওঁৰ পুত্ৰক পৰিকল্পিতভাৱে আক্ৰমণ কৰোৱাই গণতন্ত্ৰৰ ওপৰতে আক্ৰমণ কৰিছে বুলি বিজেপি চৰকাৰৰ প্ৰতি অভিযোগ তোলে। তেওঁ কয় যে বিজেপি চৰকাৰে ৰাজ্যত আইন- শৃংখলা ৰক্ষা কৰাত চূড়ান্ত ব্যৰ্থ হৈছে। কংগ্ৰেছ নেতাক আক্ৰমণ কৰিবলৈ উদণ্ড লোকক উচতাই দিয়া বুলি আমি সন্দেহ কৰিছো। এই ঘটনাৰ এক উচিত তদন্ত কৰিব লাগে আৰু দোষীক কঠোৰতকৈ কঠোৰ শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আইন-শৃংখলা চূড়ান্ত অৱনতি ঘটাৰ পিছতো ৰাজ্যৰ গৃহ বিভাগ নীৰৱ দৰ্শক হৈ থকা বুলি সমালোচনা কৰে জিলা কংগ্ৰেছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গৃহ বিভাগ যদি চলাব নোৱাৰে পদত্যাগ কৰক বুলিও দাবী তোলে শিৱসাগৰ কংগ্ৰেছে। প্ৰতিবাদৰ অন্তত জিলা কংগ্ৰেছৰ এটা সঁজাতি দলে শিৱসাগৰ সদৰ থানাত এজাহাৰ দাখিল কৰে।

# অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া সুচেন্দ্ৰ হাজৰিকাৰ বিয়োগ, শোকৰ ছাঁ



**নগাঁও, ২১ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ বৰভগীয়া মৌজাৰ অন্তৰ্গত নিজ বৰভগীয়া গাঁৱত জন্ম লাভ কৰি পিছলৈ গুৱাহাটীৰ বামুণীমৈদানৰ কুশল নগৰত নিগাজীকৈ থাকিবলৈ লোৱা অসম আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ আৰক্ষী বিষয়া সুচেন্দ্ৰ নাথ হাজৰিকা ( ৮৬ ) ৰ যোৱা ১৭ ফেব্ৰুৱাৰীত ঘটা বিয়োগত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে আজি সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় সমিতি আৰু নগাঁও জিলা সমিতিয়ে গভীৰ শোকপ্ৰকাশ কৰিছে। আৰক্ষী বিষয়াৰূপে সেৱা আগবঢ়োৱাৰ আগতে একালত বৰভগীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰূপে শিক্ষকতাৰ লগতো জড়িত থকা হাজৰিকাৰ মৃত্যুত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ নগাঁও জিলা সমিতিৰ কাৰ্যকৰী সভাপতি ভাৰত বৰা আৰু সাধাৰণ সম্পাদক সমীৰ হাজৰিকাই গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ ইহ-সংসাৰত পত্নীৰ লগতে সু-শিক্ষিত অসম অসামৰিক সেৱাৰ আয়ুক্ত পৰ্যায়ৰ বিষয়া জ্যেষ্ঠা কন্যা হেমাশ্ৰী হাজৰিকা, অভিযন্তা পুত্ৰ হেমাঙ্গ হাজৰিকা আৰু চিকিৎসক কন্যা ডাঃ অৰ্পিতা মেধি, জোঁৱাই ডাঃ জ্ঞানাংকৰ মেধিৰ উপৰি বহু আত্মীয়-স্বজনক এৰি থৈ যায়।

## ৰকিবুল হুচেইনক আক্ৰমণ, ডিব্ৰুগড় জিলা কংগ্ৰেছ কমিটিৰ উদ্যোগত প্ৰতিবাদ

**ই-সংবাদ, ডিব্ৰুগড়, ২১ ফেব্ৰুৱাৰীঃ** নগাওঁ জিলাৰ ৰূপহীহাটৰ ৰজপথত দিনদুপৰতে দুৰ্বৃত্তৰ আক্ৰমণৰ সন্মুখীন হোৱা ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনক কৰা আক্ৰমণক গৰিহণা দি আজি ডিব্ৰুগড়ৰ ৰাজীৱ ভৱনৰ সন্মুখত কংগ্ৰেছ কৰ্মীসকলে ধৰ্ণা কাৰ্য্যসূচী গ্ৰহণ কৰে। এই ধৰ্ণা কাৰ্যসূচীত অংশগ্ৰহণ কৰে প্ৰদেশ কংগ্ৰেছ কমিটীৰ উপ-সভাপতি মেহদী আলম বৰা, প্ৰাক্তন মন্ত্ৰী এটোৱা মুণ্ডা, জিলা কংগ্ৰেছ কমিটিৰ সভাপতি দেৱৰঞ্জন গগৈ, এ পি চি চিৰ মুখপাত্ৰ নীলনেত্ৰ নেওগ, বিজিত সন্দিকৈ, জিলা মহিলা কংগ্ৰেছৰ সভাপতি কবিতা কোঁৱৰ, টিংখং ব্লক কংগ্ৰেছৰ সভাপতি সুজিত লিগিৰা, ডিব্ৰুগড় ব্লক কংগ্ৰেছৰ সভাপতি জিতেন বৰুৱা, সংখ্যালঘু বিভাগৰ অধ্যক্ষ ফিৰোজ হুছেইন, জিলা কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক বাহাৰুল ইছলাম, পৰাণজ্যোতি গগৈ, বিতোপন বৰাইক, কৰ্ণ বাহাদুৰ চেত্ৰী আৰু বহু জ্যেষ্ঠ কংগ্ৰেছ নেতাই অংশগ্ৰহণ কৰে।

# খাৰুপেটীয়াত হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে কংগ্ৰেছ নেতৃবৃন্দৰ তীব্ৰ প্ৰতিক্ৰিয়া

**ই-সংবাদ, খাৰুপেটীয়া, ২১ ফেব্ৰুৱাৰীঃ** দৰঙৰ খাৰুপেটীয়াৰ ৰাজীৱ ভৱনত আয়োজিত সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে কংগ্ৰেছ নেতৃবৃন্দই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ৰাইজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰি, বিভিন্ন দুৰ্নীতি গাপ দিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গৌৰৱ গগৈৰ লগতে তেওঁৰ পত্নীৰ বিৰুদ্ধে ভিত্তিহীন অভিযোগ আনিছে বুলি মন্তব্য কৰে। কালি ৰূপহীহাটত সাংসদ ৰকিবুল হুছেইনৰ আক্ৰমণ বিজেপি চৰকাৰৰ পূৰ্ব পৰিকল্পিত আক্ৰমণ আছিল বুলি কয়। গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী সম্পূৰ্ণভাৱে ব্যৰ্থ হোৱাৰ অভিযোগ তোলে প্ৰাক্তন বিধায়ক ইলিয়াছ আলী আৰু জিলা নেতৃবৃন্দই। সাংসদজনৰ আক্ৰমণৰ ঘটনাক সংবাদমেলত তীব্ৰ ভাষাৰে গৰিহণা দিয়ে প্ৰাক্তন বিধায়ক ইলিয়াছ আলীয়ে। সংবাদমেলত প্ৰাক্তন বিধায়ক ইলিয়াছ আলীৰ লগতে উপস্থিত থাকে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সদস্য মোজাম্মিল হক, দৰং কংগ্ৰেছৰ মুখপাত্ৰ ৰাকিব উদ্দিন, ব্লক কংগ্ৰেছৰ ৰুস্তম আলী, আমিৰুল ইছলাম।

# ভূটীয়াপাৰাত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২১ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰ জিলাৰ বালাগাঁও সামূহিক স্বাস্থ্যকেন্দ্ৰৰ অধীনৰ ভূটীয়াপাৰা গাঁৱৰ ১০৫৯ নং ভূটীয়াপাৰা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত আজি বঙাইগাঁও তাপ বিদ্যুত প্ৰকল্পৰ সামাজিক দায়বদ্ধতা আঁচনিৰ উদ্যোগত, অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচন আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ সহযোগত অসংক্ৰামক ৰোগৰ বিনামূলীয়া প্ৰাথমিক স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। উল্লেখ্য যে আজি পুৱা ১০:০০ বজাৰ পৰা অনুষ্ঠিত হোৱা উক্ত অসংক্ৰামক ৰোগৰ বিনামূলীয়া প্ৰাথমিক স্বাস্থ্য শিবিৰত গাঁৱখনৰ ৩০ বছৰৰ উৰ্ধৰ অৰ্ধশতাধিক মহিলা, পুৰুষে নিজৰ ৰোগ পৰীক্ষা কৰে। স্বাস্থ্য শিবিৰত বিনামূলীয়াভাৱে উচ্চ ৰক্তচাপ, বহুমুত্ৰ ৰোগ চিনাক্তকৰণ কৰি বিনামূলীয়াভাৱে ঔষধ যোগান ধৰা হয়। তদুপৰি মুখ, স্তন আৰু জৰায়ুৰ কৰ্কটৰোগ সন্দৰ্ভতো পৰীক্ষা কৰা হয়। ইপিনে, স্বাস্থ্য শিবিৰত অংশগ্ৰহণ কৰা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ চিকিৎসক নুৰ আলম আৰু অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ চিকিৎসক অভিষেক বৰাই কয় যে অসংক্ৰামক ৰোগ যেনে উচ্চ ৰক্তচাপ, বহুমুত্ৰ, মুখ, স্তন আৰু জৰায়ুৰ কৰ্কটৰোগ আগতীয়াকৈ চিনাক্ত হ'লে চিকিৎসা ব্যয় হ্ৰাস কৰিব পাৰি।

# শিৱসাগৰৰ গড়গাওঁ মহাবিদ্যালয়ত আন্তঃৰ্জাতিক মাতৃভাষা দিৱস উদযাপন

**ই-সংবাদ, শিৱসাগৰ, ২১ ফেব্ৰুৱাৰীঃ** শিৱসাগৰৰ ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ত আন্তৰ্জাতিক মাতৃভাষা দিৱস উপলক্ষে আজি এক বিশেষ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান প্ৰণৱ দুৱৰাই সভাপতিত্ব কৰা অনুষ্ঠানৰ প্ৰথম কাৰ্যসূচী অনুসৰি বহুভাষিক মত-বিনিময় অনুষ্ঠিত হয়। মহাবিদ্যালয় পৰিয়ালৰ ভিন্ন মাতৃভাষাক প্ৰতিনিধিত্ব কৰা শিক্ষাৰ্থী-শিক্ষকসকলে আন্তৰ্জাতিক মাতৃভাষা দিৱস উপলক্ষে নিজ নিজ মাতৃভাষাত মত-বিনিময়, গীত পৰিৱেশন তথা মাতৃভাষা সম্পৰ্কে অনুভৱ ব্যক্ত কৰে। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা দেৱযানী বকলীয়ালে অসমীয়া, সোনোৱাল কছাৰী দুই ভাষাত অনুষ্ঠানটি আঁতধৰি সকলোকে মোহিত কৰি তোলে। গণিত বিভাগৰ সহকাৰী অধ্যাপক হৰেকৃষ্ণ মিলিয়ে মিছিং ভাষাত, ইতিহাস বিভাগৰ বিভাগীয় প্ৰধান ড০ বলোৰাম দাসে অসমীয়া, গোৱালপৰীয়া উপভাষা, মিছিং ভাষাত, ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড০ আৰাওউাই নাৰ্জাৰীয়ে বড়ো ভাষা, ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড০ বিনুৰী বড়োৱে ডিমাছা ভাষাত, ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক ড০ চমকাই মানহামে টাংচা ভাষাত, চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সুশীলা দেৱীয়ে মেইতেই ভাষাত, ইংৰাজী বিভাগৰ অধ্যাপক ড০ অঞ্জন কোঁৱৰে অসমীয়া ভাষাত, ছাত্ৰদ্বয় ক্ৰমে ভগীৰথ তালুকদাৰ আৰু অনুজ ছেত্ৰীয়ে নলবৰীয়া উপভাষা আৰু নেপালী ভাষাত নিজৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানৰ দ্বিতীয় কাৰ্যসূচী অনুসৰি ইণ্টাৰনেটত অসমীয়া ভাষাঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা শীৰ্ষক এটি গুৰুত্বপূৰ্ণ বক্তৃতা প্ৰদান কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ অংকুৰ দত্তই। সমল ব্যক্তি ড০ দত্তই অসমীয়া ভাষা অনাগত দিনত মৌখিক, লিখিত ৰূপৰ উপৰি সমান্তৰালভাৱে ইণ্টাৰনেটৰ মাধ্যমত প্ৰৱাহমান হৈ থাকিব বুলি মন্তব্য কৰে। গতিকে ইণ্টাৰনেটত অসমীয়া ভাষা ব্যৱহাৰৰ মাত্ৰা বৃদ্ধিৰ ওপৰত গুৰুত্ব দিবলৈ সকলোকে আহ্বান জনায়। তেওঁ লগতে শিক্ষাৰ্থীসকলক সামাজিক মাধ্যমসমূহত অসমীয়া লিপি ব্যৱহাৰ কৰি ভাষাৰ প্ৰতি দায়ৱদ্ধতা প্ৰকাশ কৰিবলৈ আহ্বান জনায়। মাতৃভাষাৰ প্ৰতি দায়ৱদ্ধতা প্ৰকাশ কৰা এনেধৰণৰ অনুষ্ঠান আয়োজন কৰাৰ বাবে গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ, নিবন্ধকাৰ ড০ সব্যসাচী মহন্তই অসমীয়া বিভাগক বিশেষভাৱে প্ৰশংসা কৰে। অনুষ্ঠানত অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ক্ৰমে নীলাক্ষি চেতিয়া, ৰুণজুন হাজৰিকা, প্ৰিয়মা দিহিঙীয়াকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# বেছিমাৰীত পৰীক্ষাৰ পৰা বঞ্চিত শিক্ষাৰ্থী, পক'চ গোচৰত ছাত্ৰৰ গ্ৰেপ্তাৰক লৈ প্ৰতিক্ৰিয়া

**ই-সংবাদ, দলগাওঁ, ২১ ফেব্ৰুৱাৰীঃ** দলগাৱঁৰ বেছিমাৰীত এগৰাকী উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ্থীক গ্ৰেপ্তাৰক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পকছো গোচৰত অভিযুক্ত ছাত্ৰজনক গ্ৰেপ্তাৰ কৰি লৈ যোৱা বাবে গুৰুত্বপূৰ্ণ পৰীক্ষাৰ পৰা বঞ্চিত হোৱাত দলগাওঁ আৰক্ষীৰ বিৰুদ্ধে ক্ষোভত ফাঁটিছে সচেতন মহল। প্ৰাপ্ত তথ্য মতে, দলগাওঁ থানাৰ অন্তৰ্গত উলুবাৰী গাঁৱৰ ইমৰাণ হুছেইন নামৰ উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষা দিবলৈ গৈছিল বেছিমাৰী পৰীক্ষা কেন্দ্ৰলৈ। পৰীক্ষা কেন্দ্ৰত প্ৰৱেশৰ সময়তে দলগাওঁ আৰক্ষীয়ে পৰীক্ষাৰ্থীজনক গ্ৰেপ্তাৰ কৰি লৈ যোৱা বাবে গুৰুত্বপূৰ্ণ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পৰা বঞ্চিত হয় ইমৰাণ হুছেইন। বেছিমাৰী পেট্ৰ'ল পোষ্টৰ ভাৰপ্ৰাপ্ত বিষয়া ৰঞ্জন তামুলীয়ে জানিবলৈ দিয়া মতে, অভিযুক্ত ছাত্ৰজনৰ বিৰুদ্ধে দলগাওঁ থানাত পকছো ধাৰাত গোচৰ ৰুজু হৈ আছে । দীৰ্ঘদিন ধৰি পলাতক অৱস্থাত থকা ইমৰাণৰ সম্ভেদ পাই বেছিমাৰীৰ পৰা গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। তামুলীয়ে জানিবলৈ দিয়া মতে, ইমৰাণ পকছো গোচৰত অভিযুক্ত ঠিকেই, পৰীক্ষাৰ্থী বুলি জনা নাছিল বুলি দাবী কৰিলেও এই দাবীক অগ্ৰাহ্য কৰে বেছিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা ও উন্নয়ণ সমিতিৰ সভাপতি হবিবুৰ ৰহমানে। ৰহমানে এই প্ৰতিবেদকক জনোৱা মতে, পৰীক্ষাত বহাৰ সুযোগ দিবলৈ গ্ৰেপ্তাৰ কৰিবলৈ অহা আৰক্ষী বিষয়াজনক খাটনি ধৰিছিল যদিও সেই অনুৰোধক কোনো গুৰুত্ব নিদি হলত প্ৰৱেশৰ কোনো সুযোগ নিদি প্ৰৱেশ পথৰ পৰাই উঠাই লৈ যায় ভুক্তভোগী ছাত্ৰজনক। অন্যহাতে, আৰক্ষীয়ে ধৃত যুৱকজন পৰীক্ষাৰ্থী বুলি নাজানো বুলি দাবী কৰিলেও ছাত্ৰজনৰ হাতত মজুত আছিল এডমিট আৰু ৰেজিষ্ট্ৰেচন। তেনেক্ষেত্ৰত, ছাত্ৰজনৰ পৰীক্ষা শেষ হোৱালৈ কিয় অপেক্ষা নকৰিলে বা পৰীক্ষা হলতেই পহৰাৰ ব্যৱস্থা কৰি পিছত গ্ৰেপ্তাৰ কৰা নহ'ল তাক লৈ প্ৰশ্ন উঠিছে। ধৃত ছাত্ৰজনৰ জেষ্ঠ ভাতৃয়ে অভিযোগ কৰা মতে, তদন্তকাৰী বিষয়াজনে নিশা ঘৰত গৈ মহিলাৰ লগত অভদ্ৰ আচৰণ কৰাৰ লগতে মবাইল ফোন বলপূৰ্বক ভাবে লৈ আহে।কৰি কয় যে বৰ্তমানৰ শাস্তিমূলক ব্যৱস্থাসমূহ ফলপ্ৰসূভাৱে কাৰ্যকৰী কৰিব লাগিব। চত্ৰ বিষয়াসকলে

# মৰিগাঁৱত নাবালিকা ধৰ্ষণকাৰীক যাৱজ্জীৱন কাৰাদণ্ড

**ই-সংবাদ, মৰিগাঁও, ২১ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাৰ মায়ং অঞ্চলৰ পদুম দাস নামৰ এজন লোকক নাবালিকা ধৰ্ষণৰ এক জঘণ্য অপৰাধত মৰিগাঁও পক'চ' আদালতে আজি যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে। প্ৰাপ্ত তথ্য মতে, এই লোকজনৰ বিৰুদ্ধে দুবছৰ পূৰ্বে এক জঘণ্য ধৰ্ষণ কাণ্ড সংঘটিত কৰাৰ অভিযোগত মায়ং আৰক্ষী থানাত ১৫৫/২০২৩ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। এই ঘটনাটোৰ তদন্ত কৰি মায়ং আৰক্ষীয়ে মৰিগাঁও পক'চ' আদালতত অভিযোগনামা দাখিল কৰিছিল। নাবালিকা ধৰ্ষণৰ উক্ত গোচৰ আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক'চ' আদালতে বিচাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি আজি পক'চ' আদালতে পক'চ' আইনৰ ৬ নং ধাৰাত দোষী সাব্যস্ত কৰি ধৰ্ষণ কাণ্ডৰ অপৰাধী পদুম দাসক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে।

# বিষ্ণুপ্ৰিয়া মণিপুৰী সমাজৰ সত্ৰ মহাসভাক ভূমিদান

**ই-সংবাদ, বৰপেটাৰোড, ২১ ফেব্ৰুৱাৰীঃ** শতবৰ্ষ গৰকা অসমৰ অন্যতম সত্ৰীয়া সাংস্কৃতিক আৰু জাতীয় সংগঠন অসম সত্ৰ মহাসভাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ, মতবাদ আৰু বৰ্ণিল কৃষ্টি-সংস্কৃতি বৰাক উপত্যকাত ব্যাপক হাৰত প্ৰচাৰ-প্ৰসাৰ আৰু সংৰক্ষণৰ লক্ষ্য আগত ৰাখি অসম সত্ৰ মহাসভাই এলানি অভিলাষী কৰ্মসূচী গ্ৰহণ কৰিছে। এই কৰ্মসূচীৰ অংশ হিচাপে ২৩ ফেব্ৰুৱাৰীত শ্ৰীভূমি জিলাৰ পাথাৰকান্দিত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আৰ্হিত অন্য এখন কলাক্ষেত্ৰ নিৰ্মাণৰ বাবে প্ৰাথমিক কাম-কাজৰ শুভাৰম্ভ কৰা হ'ব। অসম সত্ৰ মহাসভাৰ উত্তৰ-পশ্চিম মণ্ডলৰ সাংস্কৃতিক সম্পাদক যুগান্ত বায়নে সদৰি কৰা মতে, শ্ৰীভূমি জিলাৰ বিষ্ণুপ্ৰিয়া মণিপুৰী সমাজৰ সহযোগত গোধাৰপুৰ প্ৰাক্তন সৈনিক উন্নয়ন সমিতিৰ নামত আবণ্টিত হৈ থকা ২০৭০ বিঘা ভূমিৰ ১০০ বিঘা ভূমি ২০ ফেব্ৰুৱাৰীত সত্ৰ মহাসভাৰ সম্পাদক প্ৰধান কুসুম কুমাৰ মহন্তৰ নেতৃত্বত বৰাক উপত্যকালৈ যোৱা এটা প্ৰতিনিধি দলৰ লগত হোৱা বৈঠকত সত্ৰ মহাসভালৈ হস্তান্তৰ কৰাৰ বাবে এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰা হয়। ২৩ ফেব্ৰুৱাৰীত সত্ৰ মহাসভাৰ বৰাক উপত্যকা মণ্ডল সমিতিৰ উদ্যোগত পাথাৰকান্দিৰ সৈনিক সংঘ প্ৰাংগণত প্ৰস্তাৱিত কলাক্ষেত্ৰ নিৰ্মাণৰ বাবে গ্ৰহণ কৰা আঁচনি কাৰ্যকৰীকৰণৰ বাবে এক বিশেষ অনুষ্ঠান অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত সত্ৰ মহাসভাৰ সম্পাদক প্ৰধান কুসুম কুমাৰ মহন্ত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। অসম সত্ৰ মহাসভাই বিষ্ণুপ্ৰিয়া মণিপুৰী সমাজৰ সহযোগত সমগ্ৰ বৰাকৰ পাথাৰকান্দিত নিৰ্মাণ হ'বলগীয়া কলাক্ষেত্ৰই সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰ আৰু সংৰক্ষণৰ ক্ষেত্ৰত এক যুগান্তকাৰী প্ৰভাৱ পেলাব বুলি আশা প্ৰকাশ কৰিছে।

# বৰপেটাৰোড আয়কৰ কাৰ্যালয়ৰ উদ্যোগত ৰক্তদান শিবিৰ

**ই-সংবাদ, বৰপেটাৰোড, ২১ ফেব্ৰুৱাৰীঃ** আজি বৰপেটাৰোড আয়কৰ কাৰ্যালয়ৰ উদ্যোগত আয়কৰ কাৰ্যালয় প্ৰাংগণত এক ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। ৰক্তদান শিবিৰটো অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সহযোগ আগবঢ়ায় বৰপেটাস্থিত ফখৰুদ্দিন আলী আহমেদ মেডিকেল কলেজৰ ভ্ৰাম্যমাণ ৰক্তদান শিবিৰে। ৰক্তদান শিবিৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বৰপেটা ৰোডৰ জি এল চি কলেজৰ অধ্যক্ষ পিয়ালি ঘোষে। পুৱা ১০ বজাত মুকলি কৰা শিবিৰটোত আবেলিলৈকে বহুকেইগৰাকী গৰাকী পুৰুষ-মহিলাই ৰক্তদান কৰে। আজি সমগ্ৰ দেশজুৰি আয়কৰ কাৰ্যালয়ৰ সকলো অঞ্চলতে অনুষ্ঠিত হোৱা দেশজোৰা ৰক্তদান শিবিৰৰ লগতে বৰপেটাৰোড আয়কৰ কাৰ্যালয়েও ৰক্তদান শিবিৰৰ আয়োজন কৰে। শিবিৰত আয়কৰ পৰিদৰ্শক ৰিংকু দাস, উত্তম সূত্ৰধৰ, আনোৱাৰ হুছেইন, ৰশ্মী কুমাৰী আদি উপস্থিত থাকে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# উত্তৰ গুৱাহাটীৰ ৰূদ্ৰেশ্বৰ দেৱালয়ৰ মেৰামতি তথা পুণঃনিৰ্মাণ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ২১ ফেব্ৰুৱাৰীঃ** স্বৰ্গদেউ প্ৰমত্ত সিংহই তেওঁৰ পিতৃ স্বৰ্গদেউ ৰূদ্ৰ সিংহৰ স্মৃতিত উত্তৰ গুৱাহাটীৰ ৰূদ্ৰেশ্বৰত স্থাপন কৰিছিল ৰূদ্ৰেশ্বৰ দেৱালয়। ৬০০ বছৰীয়া আহোম ৰাজত্বৰ কীৰ্তিচিহ্নসমূহৰ ভিতৰত এই দেৱালয়খনো অন্যতম। এই দেৱালয় ভগৱান শিৱৰ আৰাধনাস্থলী হিচাপে বিখ্যাত। এই দেৱালয়ৰ সম্পূৰ্ণ তদাৰকৰ দায়িত্ব অসম চৰকাৰৰ প্ৰত্নতত্ব বিভাগৰ ওপৰত ন্যস্ত আছে। সম্প্ৰতি জালুকবাৰী বিধানসভা সমষ্টিৰ বিধায়ক তথা অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই দেৱালয়খনৰ আন্তঃগাৰ্থনিৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰি ইয়াৰ মেৰামতি, পুনৰ নিৰ্মাণ তথা পুনৰুদ্ধাৰৰ বাবে প্ৰত্নতত্ব বিভাগক নিৰ্দেশ দিছে। এই নিৰ্দেশ মৰ্মে প্ৰত্নতত্ব বিভাগেও ক্ষিপ্ৰতাৰে কাম আৰম্ভ কৰা পৰিলক্ষিত হৈছে। আগন্তুক ৬ মাহৰ ভিতৰত মেৰামতি আৰু পুনৰ নিৰ্মাণ কৰাৰ লক্ষ্যৰে এই শিতানত ২ কোটি ৩০ লাখ টকা ধাৰ্য কৰা হৈছে। এই নিৰ্মাণকাৰ্যত ব্যৱহাৰ কৰিবলগীয়া ইটাসমূহ চিমেণ্টৰ সলনি চুণ, ইটাৰ গুৰি, বেল, বালি, শিলিখা, মাটিমাহ, মিঠিগুটি আদিৰে পৌৰাণিক পদ্ধতিত নিৰ্মাণ কৰা হৈছে আৰু এই ইটাসমূহ অনা হ'ব শিৱসাগৰ, ডিব্ৰুগড় আৰু গোৱালপাৰাৰ পৰা। বৰ্তমান ১০ জন অভিজ্ঞ শ্ৰমিকৰ দ্বাৰা নিৰ্মাণ কাৰ্য চলাই থকা হৈছে। উল্লেখ্য যে তলাতল ঘৰ আৰু ৰংঘৰৰ লেখীয়াকৈ ৰূদ্ৰেশ্বৰ দেৱালয়তো আছে আহোম ৰাজত্ব কালৰ এটা দীঘল সুৰংগ। বৰ্তমান জহি-খহি যোৱা সুৰংগটোৰো পুনৰ নিৰ্মাণ কাৰ্য সমান্তৰালভাৱে চলাই থকা হৈছে। ৰূদ্ৰেশ্বৰ দেৱালয়ৰ এই সামগ্ৰিক পুনৰুদ্ধাৰ কাৰ্য সাম্প্ৰতিক সময়ত যথেষ্ট গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে আৰু ভৱিষ্যতে অসমৰ পৰ্যটন ক্ষেত্ৰখনত ই এক ইতিবাচক ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

# কলগাছিয়াত ৰূপসী ব্লক কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচী, মুখ্যমন্ত্ৰীৰ প্ৰতিকৃতি দাহ

**ই-সংবাদ, কলগাছিয়া, ২১ ফেব্ৰুৱাৰীঃ** ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ ওপৰত দুৰ্বৃত্তই আক্ৰমণ চলোৱা ঘটনাক তীব্ৰ নিন্দা জনাই শুকুৰবাৰে দুপৰীয়া মন্দিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত কলগাছিয়া চাৰিআলি চকত ৰূপসী ব্লক কংগ্ৰেছ কমিটীৰ উদ্যোগত তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী পালন কৰা হয়। বিজেপি চৰকাৰৰ দিনত আৰক্ষী প্ৰশাসনে সম্পূৰ্ণ ব্যৰ্থ হৈছে। সাংসদ এগৰাকীৰো নিৰাপত্তা নাই। মুখ্যমন্ত্ৰী ব্যৰ্থ হৈছে বুলি অভিযোগ উত্থাপন কৰি কংগ্ৰেছ কৰ্মীসকলে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিকৃতি দাহ কৰি মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিব লাগে বুলি দাবী উত্থাপন কৰে। জানিব পৰা মতে, সাংসদ ৰকিবুল হুছেইনৰ পুত্ৰ তাঞ্জিল হুছেইন আৰু দুজন দেহৰক্ষী জোৱানক লগত লৈ ৰূপহীহাটৰ নতুন বজাৰত দলীয় সভাত যোগদান কৰিবলৈ এখন স্কুটিৰে গৈ থকা অৱস্থাত প্ৰায় ৩০-৪০ জনীয়া গুণ্ডা বাহিনীয়ে মুখত ক'লা কাপোৰ বান্ধি বাট আগুছি ধৰি সাংসদ ৰকিবুল হুছেইনৰ লগতে তেওঁৰ দেহৰক্ষীক আক্ৰমণ কৰিছিল দুৰ্বৃত্তৰ দলটোৱে। উপায়ন্তৰ হৈ সাংসদ ৰকিবুল হুছেইন আৰু পুত্ৰ তাঞ্জিল হুছেইনে আহত অৱস্থাত প্ৰাণ ৰক্ষা কৰাৰ বাবে দৌৰি পলায়ন কৰে। উক্ত ঘটনাক তীব্ৰ নিন্দা জনাই কলগাছিয়া চাৰিআলি চকত ৰূপসী ব্লক কংগ্ৰেছৰ উদ্যোগত পালন কৰে এই প্ৰতিবাদী কাৰ্যসূচী। লগতে মুখ্যমন্ত্ৰীৰ প্ৰতিকৃতি দাহ কৰি পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে অসম চৰকাৰ হায় হায়, বিজেপি মুৰ্দাবাদ, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, ভেৰোণীয়া গুণ্ডা বাহিনীক শাস্তি দিয়ক আদি শ্ল'গান দিয়ে। প্ৰতিবাদী কাৰ্যসূচীটোত ৰূপসী ব্লক কংগ্ৰেছৰ সভাপতি ইয়াকুব আলী আহমেদ, অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সম্পাদক আজাদ হুছেইন, ৰূপসী ব্লক কংগ্ৰেছৰ সম্পাদক ৰবিউল ৰছুল হক, কলগাছিয়া মণ্ডল কংগ্ৰেছৰ সম্পাদক নুৰুল হককে আদি কৰি ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকি দুৰ্বৃত্তৰ দলটোক কঠোৰ শাস্তিৰ দাবী জনায়।

# হালাকুৰা মহাবিদ্যালয়ত অনৈতিক কাৰ্যৰ প্ৰতিক্ৰিয়া অঃজাঃপঃৰ

**ই-সংবাদ, গোলকগঞ্জ, ২১ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্তৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান হালাকুৰা মহাবিদ্যালয়ত যোৱা ১৯ ফেব্ৰুৱাৰীত সংঘটিত অনৈতিক কাৰ্যৰ বাবে আজি ধুবুৰী জিলা কোচ ৰাজবংশী জাতীয় পৰিষদে অধ্যক্ষ আৰু পৰিচালনা সমিতিক দোষাৰোপ কৰি তদন্তৰ দাবী জনাইছে। অভিযোগ মতে, সিদিনা বিয়লি বিদ্যালয় চলি থকা সময়ত স্নাতক চতুৰ্থ যাণ্মাসিকৰ দুই ছাত্ৰ-ছাত্ৰী এটা শ্ৰেণী কোঠাত অসৎ কাৰ্যত লিপ্ত হৈ আছিল। মহাবিদ্যালয়ৰ এগৰাকী প্ৰৱক্তাই হাতে-লোটে দুয়োকে আটক কৰে। ছাত্ৰ-ছাত্ৰী দুগৰাকীৰ অভিভাৱকক মহাবিদ্যালয়লৈ মাতি অনা হয়। খবৰ পাই হালাকুৰা আৰক্ষীও উপস্থিত হয়। ঘটনাটোক লৈ অধ্যক্ষ ইব্ৰাহিম হুছেইন সেখৰ উপস্থিতিত প্ৰায় দুই ঘণ্টা ধৰি আলোচনা হয়। অৱশেষত দুয়োকে বিয়া দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিয়া দিলে মহাবিদ্যালয়খনত পঢ়িবলৈ দিব, অন্যথা মহাবিদ্যালয়ৰ পৰা বহিস্কাৰ কৰিব বুলি অধ্যক্ষই অভিভাৱকৰ পৰা চুক্তিপত্ৰত স্বাক্ষৰ লোৱা বুলি অভিযোগ উত্থাপিত হৈছে। পৰিষদৰ জিলা সভাপতি নগেন চন্দ্ৰ ৰায় আৰু সাধাৰণ সম্পাদকে আজি এক প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰে যে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ দুৰ্বলতা আৰু একাংশ প্ৰৱক্তাৰ দায়িত্ব জ্ঞানহীনতাৰ বাবে শৈক্ষিক পৰিৱেশ বিনষ্ট হৈছে। যাৰ বাবেই এনে অসামাজিক অনৈতিক কাৰ্য সংঘটিত হৈছে। ইয়াৰ পূৰ্বেও এনে ঘটনা সংঘটিত হোৱা বুলি অভিযোগ উত্থাপন কৰে। বিজ্ঞপ্তিত প্ৰকাশ কৰে যে ইয়াৰ পূৰ্বৰ পৰিচালনা সমিতিৰ সময়ত এনে অবৈধ কাৰ্য সংঘটিত হোৱাৰ নজিৰ নাই। বিজেপি নেতাৰ দ্বাৰা মহাবিদ্যালয় পৰিচালনা সমিতি গঠনৰ পিছতে এনে ঘটনা সঘনাই হোৱাৰ অভিযোগ তোলে। মহাবিদ্যালয়খনে শেহতীয়াকৈ হালাকুৰা অঞ্চলৰ নাম উজ্জ্বল কৰাৰ বিপৰীতে হালাকুৰাবাসীক লজ্জানত কৰিছে। সেয়ে ইয়াৰ উচ্চ পৰ্যায়ৰ তদন্ত কৰি এনে ঘটনাৰ পুনৰাবৃত্তি নোহোৱাৰ বাবে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

# চাপনীয়াত ১০৮ সংখ্যক কালী পূজাৰ আয়োজন

**ই-সংবাদ, ৰঙিয়া, ২১ এপ্ৰিলঃ** ৰঙিয়াৰ চাপনীয়াত ১০৮ সংখ্যক সাৰ্বজনীন শ্ৰীশ্ৰী কালী পূজাৰ ব্যাপক আয়োজন কৰা হৈছে। অহা ৪ মাৰ্চৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা পূজা উপলক্ষে ধৰ্মীয় পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰিব উদযাপন সমিতিৰ সভাপতি ফটিক চন্দ্ৰ ডেকাই। মুখ্যদ্বাৰ উন্মোচন কৰিব সাংসদ তথা বিজেপি দলৰ অসম প্ৰদেশ ৰ সভাপতি দিলীপ শইকীয়াই। সন্ধিয়া বন্তি প্ৰজ্বলনৰ লগতে সমন্বয় সাংস্কৃতিক গোষ্ঠীয়ে বিশেষ থিয়নাম প্ৰদৰ্শন কৰিব। আনহাতে, দ্বিতীয় দিনা সন্ধিয়া বন্তি প্ৰজ্বলনৰ পিছতে নিশা সাংস্কৃতিক সন্ধিয়াৰ কাৰ্যসূচীত জনপ্ৰিয় কণ্ঠশিল্পী বাবু বৰুৱা, চুমি শৰ্মা, মৃণাল মুক্তিক আৰু ধীয়ানা কাশ্যপে অনুষ্ঠান পৰিৱেশন কৰিব। কাৰ্যসূচীত ধৰ্মপ্ৰাণ ৰাইজৰ সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে উদযাপন সমিতিয়ে।

# বাক্সাৰ নয়াবস্তিত 'বেটি বচাও বেটি পঢ়াও' শীৰ্ষক কাৰ্যসূচী সম্পন্ন

**ই-সংবাদ, মুছলপুৰ, ২১ ফেব্ৰুৱাৰীঃ** বাক্সা জিলাৰ ধমধমা আইচিডিএছ ব্লকৰ অন্তৰ্গত নয়াবস্তিৰ লক্ষ্মী মন্দিৰ চৌহদত আজি জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযানৰ সহযোগত মহিলা আৰু শিশু উন্নয়ন বিভাগৰ অধীনস্থ মহিলা বাক্সা জিলাৰ সবলীকৰণৰ বাবে সংকল্প হাবৰ উদ্যোগত 'বেটি বচাও বেটি পঢ়াও' আঁচনিৰ দহ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে জিলাখনৰ অন্তৰ্গত অংগনবাড়ী কৰ্মীৰ দ্বাৰা 'বেটি বচাও বেটি পঢ়াও' শীৰ্ষক মূলমন্ত্ৰ আগত ৰাখি দিনজোৰা কাৰ্যসূচী ৰূপায়িত হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে মহিলা আৰু যুৱতীৰ বিৰুদ্ধে সংঘটিত হিংসাৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে হিংসা আইন, বাল সভা আৰু বেটি বচাও বেটি পঢ়াও আঁচনিৰ অধীনত পূৰ্বে প্ৰশিক্ষণ গ্ৰহণ কৰা প্ৰশিক্ষণপ্ৰাপ্ত কিশোৰী আৰু ছোৱালীৰ দ্বাৰা আত্মৰক্ষাৰ দক্ষতা সম্পৰ্কীয় প্ৰদৰ্শন, গছপুলি ৰোপণ, সজাগতামূলক বাটৰ নাট প্ৰদৰ্শন কৰা হয়। এই কাৰ্যসূচীত সমাজ কল্যাণ বিভাগৰ এলএডিচি, ডিএলএছএ মঞ্জু ডেকাই ঘৰুৱা হিংসাৰ পৰা মহিলাক সুৰক্ষিত কৰা আইন আৰু মহিলা সকলৰ গৰ্ভধাৰণৰ পূৰ্বে আৰু প্ৰসৱৰ পূৰ্বে ল'বলগীয়া যতন আৰু কৌশল আইন (পি চি পি এন ডি টি এ চি টি)ৰ দৰে আইনৰ ওপৰত আলোকপাত কৰে আৰু আইনী সাহায্যৰ বিষয়ে আলোচনা আগবঢ়ায়। আনহাতে, জিলা মিছন সমন্বয়ক সন্তোষ ৰামচিয়াৰীয়ে মহিলা সভা আৰু বাল সভাৰ বিষয়ে মহিলা সম্পৰ্কীয় আঁচনি বেটি বচাও বেটি পঢ়াওৰ মিছন আৰু দৃষ্টিভংগীৰ বিৱৰ্তন সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। জিলা প্ৰগ্ৰেম সমন্বয়ক ববিতা ৰয়ে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ ওপৰত ভাষণ ৰাখে।

# অসম-পশ্চিমবংগ সীমান্তত ব্ৰয়লাৰ ছিণ্ডিকেট চক্ৰৰ অতপালি

**ই-সংবাদ, গোলকগঞ্জ, ২১ ফেব্ৰুৱাৰীঃ** বাৰ্ড ফ্লুৰ ভাইৰাছ সংক্ৰমণ ৰোধৰ উদ্দেশ্যে অসম চৰকাৰে দুবছৰ পূৰ্বে পশ্চিমবংগৰ পৰা চৰাই জাতীয় হাঁহ, পাৰ, কুকুৰা আমদানিত নিষেধাজ্ঞা জাৰি কৰিছিল। এই নিৰ্দেশনা বৰ্তমানো জাৰি আছে। কিন্তু এই নিৰ্দেশনা প্ৰযোজ্য কেবল সাধাৰণ নাগৰিক আৰু সাধাৰণ ব্যৱসায়ীৰ ক্ষেত্ৰত। ইয়াৰ বিপৰীতে ছিণ্ডিকেট চক্ৰৰ নেতৃত্বত মুকলিভাৱে নিশাৰ ভাগত শ শ ব্ৰয়লাৰ কঢ়িওৱা বাহন অসমত প্ৰৱেশ কৰি আছে। আৰক্ষীৰো ভূমিকাও ৰহস্যজনক। ছিণ্ডিকেট চক্ৰই চলোৱা ব্ৰয়লাৰ ভৰ্তি বাহন দেখিও নেদেখা হৈ বহি থাকে। ব্ৰয়লাৰৰ সমান্তৰালকৈ অবৈধভাৱে অসমত আমদানি হয় পশ্চিমবংগৰ পৰা এদিনীয়া ব্ৰয়লাৰৰ পোৱালি কঢ়িওৱা বাহন। অভিযোগ মতে, এনেদৰে অবৈধভাৱে অসমত প্ৰৱেশ কৰা প্ৰতিখন ব্ৰয়লাৰ ভৰ্তি বাহনে ছিণ্ডিকেট চক্ৰক অগ্ৰিম দিব লাগে পয়চল্লিশ হাজাৰ টকা। ছিণ্ডিকেট চক্ৰই দিয়া বাহনৰ নম্বৰ মতেহে স্থানীয় চক্ৰই অসমত প্ৰৱেশ কৰিবলৈ দিয়ে। কিছুদিন পূৰ্বে গোলকগঞ্জৰ এক ৰাজহুৱা সভাত প্ৰকাশ্যে অভিযোগ উত্থাপন কৰিছিল স্থানীয় সাংসদ ৰকিবুল হুছেইন। ছিণ্ডিকেট চক্ৰৰ বুজাবুজি অবিহনে কোনো বাহন অসমত প্ৰৱেশ কৰিলে তেনেবোৰ বাহন আটক কৰি ওচৰৰ আৰক্ষী থানা বা চকীত চমজাই দিয়ে। সেই মতে আৰক্ষীয়ে পশুপালন বিভাগক গতাই দিয়ে। পশুপালন বিভাগে কেতিয়াবা পুতি পেলোৱাৰ বিপৰীতে কেতিয়াবা পুনৰ ওভতাই পঠায়। আজি পুৱা পশ্চিমবংগৰ পৰা WB-19 M-0320 নম্বৰৰ এখন এদিনীয়া ব্ৰয়লাৰৰ পোৱালি ভৰ্তি বলেৰো পিকআপ ভেন অসমত সোমোৱাৰ পিছতে বেলগুৰিৰ ওচৰৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত চিণ্ডিকেট বাহিনীৰ লোকে আটক কৰি আগমনি আৰক্ষী থানাত গতাই দিয়ে। আৰক্ষীয়ে পশুপালন বিভাগৰ লগত আলোচনা কৰি পুনৰ পশ্চিমবংগলৈ ঘূৰাই পঠাই দিয়ে।

# নগাঁৱত শিশু সাহিত্যিক তোষপ্ৰভা কলিতাৰ জন্মদিনত শিক্ষাৰ্থীক কিতাপ উপহাৰ

**ই-সংবাদ, পুৰণিগুদাম, ২১ ফেব্ৰুৱাৰীঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিয়ে আজি নতুন পাঠক সৃষ্টিৰ লক্ষ্যৰে নগাঁও জিলাৰ পুৰণিগুদামৰ মাতৃভাষা মাধ্যমৰ বিদ্যালয় ম'ৰাচুক শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী হাইস্কুলৰ একাংশ ছাত্ৰ-ছাত্ৰীৰ হাতত কিতাপ তুলি দি সাহিত্য অকাডেমীৰ শিশু সাহিত্য বঁটা প্ৰাপক তোষপ্ৰভা কলিতাৰ ৮৭ সংখ্য জন্ম দিৱস পালন কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুত আৰু সমন্বয় সমিতিৰ সচিব ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ লিটাৰেৰী এছিছটেন্ট হিচাপে কাৰ্যনিৰ্বাহ কৰা অসমৰ এগৰাকী অসাধাৰণ লেখিকা তোষপ্ৰভা কলিতাই অনুবাদ কৰা আৰু নেচনেল বুক ট্ৰাষ্ট, ইণ্ডিয়াই প্ৰকাশ কৰা বিশ্বৰ সৰু-বৰ সকলো ভাষালৈ অনুদিত বিশ্বৰ বিখ্যাত আৰু অতি মূল্যৱান গ্ৰন্থ 'ত'ত্তচ্চান' আৰু 'আমাৰ ঘৰখন' শীৰ্ষক গ্ৰন্থ দুখন একাংশ ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিয়ে শিশুবন্ধু দুলাল বৰাই। আজিৰ অনুষ্ঠানত টাই আহোম যুৱ-পৰিষদ নগাঁও জিলা সমিতিৰ সভাপতি কৃতিজিৎ ঢেকিয়াল ফুকন, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ নগাঁও জিলা সমিতিৰ উপ-সভাপতি চন্দন ফুকন, পুৰণিগুদাম আঞ্চলিক সমিতিৰ সভাপতি প্ৰাণকৃষ্ণ ডেকা, সাধাৰণ সম্পাদক মাহমদুৰ ৰহমান, পুৰণিগুদাম শাখা সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সভাপতি বিমল গোঁহাই। ম'ৰাচুক শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামী হাইস্কুলৰ শিক্ষাগুৰু অনুৰাধা গোঁহাই, ৰাজুমণি বৰা, জুনটি মণি বৰা, ৰঞ্জন শৰ্মা, যুথিকা গায়ন, হীৰুমণি গায়নৰ হাতত বিদ্যালয়ৰ পুথিভঁৰাললৈ এসময়ৰ অসমৰ বিখ্যাত শিৱসাগৰ উদয়ন প্ৰকাশনে প্ৰকাশ কৰা এটা দুষ্প্ৰাপ্য কিতাপৰ টোপোলা তুলি দিয়ে। লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগ আৰু মাতৃভাষা অসমীয়া বিভাগৰ একাংশ গৱেষক ছাত্ৰ-ছাত্ৰীৰ হাততো নগাঁও নাগৰিক সভাৰ সম্পাদক বিৰিঞ্চি বৰা, বিশ্ববিদ্যায়ৰ শিক্ষাগুৰু ড০ কমল কুমাৰ তাঁতি, মানস প্ৰতিম নেওগ, মাতৃভাষা অসমীয়া বিভাগৰ প্ৰধান শিক্ষাগুৰু ড০ শ্বাহীন জাফ্ৰিৰ উপস্থিতিত 'ত'ত্তচ্চান' শীৰ্ষক গ্ৰন্থখন তুলি দিয়ে আৰু মাতৃভাষা বিভাগৰ পুথিভঁৰাললৈ লেখিকাৰ প্ৰবন্ধ সংকলন 'চিন্তা-বিচিত্ৰা' শীৰ্ষক গ্ৰন্থ আগবঢ়ায়। যিকেইগৰাকী ছাত্ৰ-ছাত্ৰীৰ হাতত কিতাপ তুলি দিয়া হৈছে তেওঁলোকক পঢ়ি শেষ হ'লে কিতাপখনৰ ওপৰত এটা চমু আলোচনাৰ টোকা লিখি বিদ্যালয়ৰ অধ্যক্ষ বা বিভাগীয় প্ৰধানৰ ওচৰত জমা দিবলৈ কোৱাৰ লগতে পঢ়ি শেষ হোৱা কিতাপ আন ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দি এই কাৰ্যসূচীৰ ধাৰাবাহিকতা ৰাখিবলৈ কয়। ছাত্ৰ-ছাত্ৰীসকলে কিতাপৰ ওপৰত চমু আলোচনা লিখি কলেজৰ বাৰ্ষিক আলোচনী, হাতেলিখা আলোচনী, প্ৰাচীৰ পত্ৰিকা আদিত প্ৰকাশ কৰিব পাৰিব বুলিও উদ্যোক্তাসকলে অৱগত কৰে।

# অসমীয়া ভাষা সাহিত্য-সংস্কৃতি সুৰক্ষা সমিতি গঠন

**ই-সংবাদ, সোণাৰি, ২১ ফেব্ৰুৱাৰীঃ** প্ৰযুক্তিবিদ্যা আৰু যান্ত্ৰিকতাৰ এই সময়ছোৱাত সামাজিক মাধ্যমযোগে গঠন হোৱা একাংশ সাহিত্য চৰ্চাৰ মঞ্চ তথা আলোচনী, ই-আলোচনীসমূহে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ লগত দীৰ্ঘদিন ধৰি কৰি অহা অনিয়মীয়া কাৰ্য ৰোধ কৰি অসমীয়া ভাষা সাহিত্য-সংস্কৃতিৰ প্ৰকৃত মৰ্যাদা অটুট ৰাখি অসমীয়াৰ মান-স্বাভিমান জীয়াই ৰখাৰ স্বাৰ্থত ২০ ফেব্ৰুৱাৰী তাৰিখে অনলাইনযোগে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি সুৰক্ষা সমিতি গঠন কৰা হয়। উক্ত সভাত ববীতা দেৱী আৰু প্ৰজেছ দাসক ক্ৰমে সভাপতি আৰু সম্পাদকধান হিচাপে নিৰ্বাচন কৰি ২৩ জনীয়া সমিতি গঠন কৰা হয়। এই সমিতিখনে আগন্তুক দিনত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ উত্তৰণৰ হকে কাম কৰি যাব আৰু উক্ত সভাত অসমৰ বিভিন্ন প্ৰান্তৰ অৰ্ধশতাধিক লোক উপস্থিত আছিল বুলি সভাপতি ববিতা দেৱীয়ে জানিবলৈ দিয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ৰৌমাৰী বিষ্ণু মন্দিৰত পঞ্চম বাৰ্ষিক ধৰ্মালোচনা সভাৰ সফল সামৰণি

**ই-সংবাদ, ছিপাঝাৰ, ২১ ফেব্ৰুৱাৰীঃ** দৰং জিলাৰ ৰৌমাৰী গাঁৱত স্থাপিত শ্ৰীশ্ৰী বিষ্ণু মন্দিৰত বিগত বৰ্ষৰ দৰে এইবেলিও ১৭ , ১৮ আৰু ১৯ ফেব্ৰুৱাৰী তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পঞ্চম বাৰ্ষিক ধৰ্মালোচনা সভাখনি অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি প্ৰথমদিনা পুৱা প্ৰাতঃবন্দনা, পৰিৱেশ নিকাকৰণ, তোৰণ উন্মোচন, শিখা প্ৰজ্বলন, ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, ভঁৰাল ঘৰৰ দ্বাৰ উন্মোচন, গছপুলি ৰোপণ, কাৰ্যালয় উদ্বোধন, ভোজনালায়ৰ দ্বাৰ উন্মোচন, ৰভা মঞ্চৰ দ্বাৰ উন্মোচন, ভাগৱত শোভাযাত্ৰা, ভাগৱত পাঠ আৰু সন্ধিয়া আয়তীৰ নামেৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰে। দ্বিতীয় দিনা পুৱা পৰিৱেশ নিকাকৰণ, পানীতোলা অনুষ্ঠান, সম্বৰ্ধনা অনুষ্ঠান, ভাগৱত পাঠ, ব্যাসৰ ওজাপালি পৰিৱেশন, শিখা প্ৰজ্বলনআৰু সন্ধিয়া মহিলাৰ নাগাৰা নাম পৰিৱেশনেৰে দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰে। আনহাতে, অন্তিম দিনা পুৱা পৰিৱেশ নিকাকৰণ, ভাগৱত পাঠৰ পিছত হাজৰিকাপাৰা নেহৰু স্মৃতি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বলোভদ্ৰ শৰ্মাৰ দ্বাৰা মুকলি সভাৰ মঞ্চ উদ্বোধন কৰাৰ পিছত দুপৰীয়া হাজৰিকাপাৰা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হয় এখনি মুকলি ধৰ্মালোচনা সভা। পৰিসংখ্যা বিভাগৰ অৱসৰী কৰ্মচাৰী শৰৎ চন্দ্ৰ চহৰীয়াই উদ্বোধন কৰা তথা শৈলেন ডেকাই আঁতধৰা সভা খন উদযাপন সমিতিৰ সভাপতি শিৱ প্ৰসাদ শৰ্মাৰ এটি মংগলাচৰণেৰে শুভাৰম্ভণি হয়। উদযাপন সমিতিৰ উপ-সভাপতি খিতেশ্বৰ চহৰীয়াই আদৰণি ভাষণ প্ৰদান কৰা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি সুবক্তা পৱিত্ৰপ্ৰাণ শৰ্মাই এটি তত্বগধুৰ আধ্যাত্মিকভাষণ প্ৰদান কৰে। সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি কটন বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ ত্ৰিদীপ ভাগৱতীয়ে সাৱলীল ভাষণ ৰাখে। মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা সভাখনত ৰঙামাটি সাহিত্য সভাৰ সভাপতি টংকেশ্বৰ শইকীয়া সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে দৰং জিলা বিজেপিৰ সভাপতি মুকুন্দ ডেকা, ৰাষ্ট্ৰীয় ভলীবল ৰেফাৰী দেৱজিত ডেকা, বিশিষ্ট সমাজকৰ্মী প্ৰতাপ বৰদলৈ, ক্ৰীড়া সাংবাদিক দীপক কুমাৰ দাস প্ৰমুখ্যে কেবাগৰাকীও বিশিষ্ট অতিথি। আদৰণি সমিতিৰ সম্পাদক গজেন চহৰীয়াই সম্পাদকীয় প্ৰতিবেদন পাঠ কৰা সভাখনত স্থানীয় শিল্পী দীপাংকৰ চহৰীয়াই এটি ভক্তিমূলক গীত পৰিৱেশন কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। উমেশ চহৰীয়াই শলাগৰ শৰাই জ্ঞাপন কৰে। ৰাতিলৈ নিশা মনি হালৈ আৰু হীৰামণি বৈশ্যৰ দলৰ নাগাৰা নাম পৰিৱেশনেৰে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ সামৰণি পৰে।

# মিছাজান লাটুম চুকত অগ্নিকাণ্ডত জাহ গ'ল এটা বাসগৃহ

**ই-সংবাদ, গেলেকী, ২১ ফেব্ৰুৱাৰীঃ** শিৱসাগৰ জিলাৰ নামতি থানাৰ অন্তৰ্গত লাটুম চুকত যোৱানিশা সংঘটিত হয় এক অগ্নিকাণ্ডৰ ঘটনা। নিশা ৭ মান বজাত সংঘটিত এই ঘটনাত নামতি থানাৰ অন্তৰ্গত মিছাজান লাটুম চুকৰ হৰিচন্দ্ৰ গগৈ নামৰ ব্যক্তিজনে নিজেই নিজৰ বাসগৃহত অগ্নিসংযোগ কৰা বুলি জানিব পৰা গৈছে। অগ্নিকাণ্ডৰ ফলত সম্পূৰ্ণৰূপে জুইত জাহ যায় বাসগৃহটো। লগতে জুইত জাহ যায় বাহগৃহৰ ভিতৰত থকা সকলো সামগ্ৰী। প্ৰথম অৱস্থাত স্থানীয় ৰাইজে জুই নিৰ্বাপন কৰিবলৈ চেষ্টা কৰে যদিও সফল নোহোৱাত নাজিৰাৰ অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়া হয় আৰু অগ্নিনিৰ্বাপক বহিনীয়ে আহি অগ্নি নিৰ্বাপন কৰে। কিন্তু তেতিয়ালৈকে সম্পূৰ্ণৰূপে জুইত জাহ যায় বাসগৃহটো। নিশা ঘটনাস্থলীত নামতি আৰক্ষী উপস্থিত হৈ আটক কৰে হৰিচন্দ্ৰ গগৈৰ নামৰ লোকজনক। জানিব পৰা মতে, লোকজন অকলে বাস কৰিছিল বাসগৃহটোত। কিমান টকাৰ সমগ্ৰী ক্ষয়-ক্ষতি হৈছে আৰু কিয় লোকজনে এই ঘটনা সংঘটিক কৰিলে সেয়া এতিয়ালৈকে জানিব পৰা হোৱা নাই।




**চৰাইদেউত অৰুণোদয় ৩.০ আঁচনিৰ জিলাপৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ বৈঠকত মন্ত্ৰী যোগেন মহন**

# বৰপেটাৰোড-মানাহ সংযোগী পথ শীঘ্ৰে মেৰামতিৰ দাবীত ভিন্ন সংগঠনৰ তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, বৰপেটাৰোড, ২১ ফেব্ৰুৱাৰীঃ** বৰপেটাৰোড-মানাহ ৰাষ্ট্ৰীয় উদ্যান সংযোগী পথৰ দুৰৱস্থাই বিভিন্ন সময়ত জ্বলা-কলা খুৱাইছে বৰপেটাৰোডৰ উত্তৰ অঞ্চলৰ ৰাইজক। যাৰবাবে আজি আমছু, আক্ৰাছু, আছা আৰু এ বি এমছুৰ যৌথ উদ্যোগত বৰপেটাৰোড-মানাহ সংযোগী বিধ্বস্ত পথ মেৰামতিৰ কাটাঝাৰ পাথাৰত পথ অৱৰোধ কাৰ্যসূচী ল'বলৈ বাধ্য হৈছে। পথটোৰ দুৰৱস্থাৰ বাবে প্ৰতিদিনেই সংঘটিত হয় দুৰ্ঘটনা। পথটোৰ দুৰৱস্থাৰ বাবেই মঙলবাৰে দুৰ্ঘটনাত পতিত হৈ মৃত্যুক সাৱটি ল'ব লগা হৈছিল এটি কণমানি শিশুৱে। দুৰ্ঘটনাত নিহত হোৱা পৰিয়ালক ১০ লাখ টকা দিয়াৰ বাবে দাবী জনায় সংগঠনকেইটাই। লগতে পথটোৰ মেৰামতি কৰাৰ লগতে ডাম্পাৰসমূহৰ চলাচলৰ ক্ষেত্ৰত সময় নিৰ্ধাৰণ কৰাৰ অনুৰোধ জনাই আজি বৰনগৰ ৰাজহচক্ৰৰ উপস্থিত তিনি দফীয়া এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। এই পথেৰেই দৈনিক যাতায়াত কৰে হেজাৰ হেজাৰ দেশী-বিদেশী পৰ্যটক, স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰী তথা কৃষক। দীৰ্ঘদিন ধৰি বৰপেটাৰোড মানাহ সংযোগী পথটো জৰাজীৰ্ণ অৱস্থাৰ কথা বিভিন্ন সময়ত বিভিন্ন দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰি আহিছিল যদিও জৰাজীৰ্ণ পথটো মেৰামতি কৰা নাই। যাৰবাবে আজি পুনৰ ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হয়। আমছু, আক্ৰাছু, আছা আৰু এ বি এমছুৰ যৌথ উদ্যোগত বৰপেটাৰোড-মানাহ সংযোগী বিধ্বস্ত পথ মেৰামতিৰ কাটাঝাৰ পাথাৰত পথ অৱৰোধ কাৰ্যসূচী ল'লে কেবাটাও সংগঠনে। আজিৰ প্ৰতিবাদী অনুষ্ঠানত আমছুৰ সাংগঠনিক সম্পাদক চাইফুল ইছলাম খান, বৰপেটা জিলা আমছুৰ সাধাৰণ সম্পাদক শ্বেখ কাৰিনুৰ ইছলাম, কাৰ্যকৰী সভাপতি মোস্তাফা বাহাৰুল হক, আক্ৰাছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক কপিল দেৱ সিংহা, আছাৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক মানচুক চানখাৰিকা, এ বি এমছুৰ কেন্দ্ৰীয় সহ-সম্পাদক ছাইজুদ্দীন খন্দকাৰ, শালবাৰী জিলা সমিতিৰ সভাপতি আব্দুল লতিফ আদি।

# টকাৰ উজান! তিনিচুকীয়াত চাঞ্চল্য



**ই-সংবাদ ব্যুৰ', ই-সংবাদ, তিনিচুকীয়া, ২১ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়াৰ সহকাৰী আৰক্ষী অধীক্ষক (মুখ্য কাৰ্যালয়) নিতিশা জাগটপৰ নেতৃত্বত লগতে মাকুম আৰক্ষীৰ সহযোগত আজি চলা এক যৌথ অভিযানত মাকুম আনন্দবাগ বাইপাছত ড্ৰাগছসহ এজন প্ৰাক্তন আলফা কেডাৰ আটক হয়। এক গোপন সূত্ৰৰ পম খেদি এ এচ ০১ জি ০৮৮৬ নম্বৰৰ এখন হুণ্ডাই ভেনু গাড়ীৰে তিনিচুকীয়াৰ পৰা গৈ থকা এজন ড্ৰাগছ সৰবৰাহকাৰীক ড্ৰাগছসহ আটক কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটো হৈছে কাকপথাৰ সৰুমেচাই গাঁৱৰ ফনেন মৰাণ ওৰফে পৱিত্ৰ অসম। আৰক্ষীয়ে ধৃত পৱিত্ৰ মৰাণৰ তিনিচুকীয়াৰ বৰগুৰি লেজাইহোলা গাঁৱৰ বাসগৃহটো অভিযান চলায়। জানিব পৰা মতে, ধৃত ফনেন মৰাণে এসময়ত স্বাধীন অসম বিচাৰি সংযুক্ত মুক্তি বাহিনী অসমত যোগদান কৰিছিল। অভিযানকালত আৰক্ষীয়ে দুটা পেকেটৰ পৰা ১২.২ গ্ৰাম ড্ৰাগছ জব্দ কৰাৰ লগতে নগদ ৯ লাখ ৬২ হাজাৰ টকা আৰু বহুতো সোণৰ গহনা, আ-অলংকাৰো জব্দ কৰিবলৈ সক্ষম হয়। আটকাধীন পৱিত্ৰ মৰাণসহ ২ গৰাকী মহিলাকো তিনিচুকীয়া আৰক্ষীয়ে নিজৰ জিম্মাত লৈছে। বিপ্লৱী কণ্ঠেৰে দেশ স্বাধীন কৰিবলৈ একালত সশস্ত্ৰ সংগ্ৰামৰ বাট বিচাৰি লোৱা প্ৰাক্তন আলফা কেডাৰ পৱিত্ৰ মৰাণে কিদৰে এনে ড্ৰাগছ ব্যৱসায়ৰ সৈতে জড়িত হৈ পৰিল, তাক লৈও ৰহস্যৰ সৃষ্টি হৈছে। উদয় হৈছে বহু প্ৰশ্নৰ।

# তিনিচুকীয়াত ৰাষ্ট্ৰীয় চাফাই কৰ্মচাৰী আয়োগৰ উপাধ্যক্ষা পানৱাৰ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২১ ফেব্ৰুৱাৰীঃ** কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ ৰাষ্ট্ৰীয় চফাই কৰ্মচাৰী আয়োগৰ উপাধ্যক্ষা অঞ্জনা পানৱাৰে তেওঁৰ উজনি অসম ভ্ৰমণৰ অংশহিচাপে আজি তিনিচুকীয়াত উপস্থিত হয়। পুৱা ১০ বজাত তেওঁ পোনতে চহৰৰ শিৱপুৰীয়া অঞ্চলৰ হৰিজন ক'লনী পৰিদৰ্শন কৰি এক বাৰ্তালাপত মিলিত হয়। ইয়াৰ পিছতে বৰগুৰিস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰি জিলাখনৰ চফাই কৰ্মী সংগঠনসমূহৰ নেতৃবৰ্গ আৰু বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। উপাধ্যক্ষাগৰাকীয়ে চফাই কৰ্মীসকলক উপযুক্ত সুৰক্ষামূলক পোছাক তথা সঁজুলি যোগান ধৰা আৰু পৰ্যাপ্ত মাত্ৰাত কৰ্মচাৰী নিয়োগ কৰাৰ পৰামৰ্শ দিয়ে। তেওঁ চফাই কৰ্মীসকলৰ সমস্যাৱলীক মানৱীয় দৃষ্টিকোণেৰে বিবেচনা কৰিবলৈ পৌৰসভাৰ বিষয়াসকলৰ প্ৰতি আহ্বান জনায়। সভাত জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাস, অতিৰিক্ত আয়ুক্ত মিৰ্জানা হুছেইনৰ উপৰি স্বাস্থ্য, শিক্ষা, শ্ৰম, জনস্বাস্থ্য কাৰিকৰী, আৰক্ষী আদি বিভাগৰ বিষয়াসকল, তিনিচুকীয়া, মাকুম, ডুমডুমা, মাৰ্ঘেৰিটা আৰু ডিগবৈ পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকল আৰু খণ্ড উন্নয়ন বিষয়াসকল উপস্থিত থাকে। সভাৰ অন্তত তেখেত আবেলি ডিব্ৰুগড় লৈ ৰাওনা হয়।

# দক্ষিণ কামৰূপত পৰীক্ষাৰ বহী মূল্যাংকনত খেলিমেলিৰ অভিযোগ

**ই-সংবাদ, মিৰ্জা, ২১ ফেব্ৰুৱাৰীঃ** দক্ষিণ কামৰূপৰ এখন আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান দক্ষিণ কামৰূপ মহাবিদ্যালয়ত সংঘটিত হৈছে চৰম অনিয়মৰ ঘটনা। যোৱা ২০ ফেব্ৰুৱাৰী বৃহস্পতিবাৰে এক প্ৰেছ বিজ্ঞপ্তিযোগে অসম জাতীয় পৰিষদৰ যুটীয়া সম্পাদক পংকজলোচন গোস্বামীয়ে অভিযোগ উত্থাপন কৰে যে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত স্নাতক কলা শাখাৰ প্ৰথম চেমিষ্টাৰৰ পৰীক্ষাৰ বহী মূল্যাংকনৰ সময়ত এক বৃহৎ খেলিমেলি সংঘটিত হৈছে। হিন্দী বিষয়ৰ বহী মূল্যাংকন কৰিলে দৰ্শন আৰু ৰাজনীতি বিজ্ঞান বিষয়ৰ অধ্যাপকে। নিয়ম অনুসৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমোদিত চেণ্টাৰসমূহতহে বহীসমূহ উক্ত বিষয়ৰ বিষয় শিক্ষকৰ দ্বাৰা মূল্যায়নৰ পিছত মূল্যাংকন কৰা নিয়ম। সাংবাদিকৰ প্ৰশ্নত মহাবিদ্যালয়খনৰ অধ্যক্ষ নৰকান্ত অধিকাৰীয়ে জানিবলৈ দিয়া মতে, তেওঁৰ অজ্ঞাতে তিনিগৰাকী অধ্যাপকে সংঘটিত কৰে এই ঘটনা। এই কাণ্ডত জড়িত ৰাজনীতি বিজ্ঞানৰ অধ্যাপক হৰেন কলিতা, ৰাইনা বেগম আৰু দৰ্শন বিভাগৰ অধ্যাপক দেৱজিৎ ৰাভা, তৃতীয় বৰ্গৰ কৰ্মচাৰী বিপুল দাসৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰে সেই বিষয়ক লৈ বৰ্তমানলৈকে নিমাত হৈ আছে মহাবিদ্যালয়খনৰ অধ্যক্ষ নৰকান্ত অধিকাৰী। উল্লেখ্য যে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ভৱিষ্যতক লৈ হেতালি খেলা এইসকল অধ্যাপকৰ নিন্দনীয়, অঞ্চলজুৰি দুৰ্নাম কঢ়িওৱা এই সমগ্ৰ ঘটনাটোৰ লগত জড়িত শিক্ষকৰ ওপৰত উচিত তদন্ত চলাই অধ্যক্ষসহিতে অধ্যাপককেইগৰাকীৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ৰণোজ পেগুক দাবী জনাই অসম জাতীয় পৰিষদৰ নেতা পংকজলোচন গোস্বামীয়ে।

# মৰিগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰত নাৰ্চাৰী, মৌ-মাখি পালন প্ৰশিক্ষণৰ সফল সামৰণি

**ই-সংবাদ, লাহৰীঘাট, ২১ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰই বিভিন্ন সময়ত জিলাখনৰ সাধাৰণ কৃষকসকলক ন ন প্ৰযুক্তিৰ শিক্ষা সময়ে সময়ে প্ৰদান কৰি কৃষকসকলক স্বাৱলম্বিতাৰ পথ প্ৰশস্ত কৰি আহিছে। এই ক্ষেত্ৰত কৃষক জিলাখনৰ একাংশ উদ্যমী কৃষকক উদ্যান শস্যৰ নাৰ্চাৰী ব্যৱস্থাপনা আৰু মৌ-মাখিৰ বৈজ্ঞানিক পালনৰ অধীনত দুটি প্ৰশিক্ষণ প্ৰদান কৰে। মৰিগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰত যোৱা ১৭ ফেব্ৰুৱাৰীৰপৰা অনুষ্ঠিত হোৱা প্ৰশিক্ষণটি আজি সফল সামৰণি পৰে। উদ্যান শস্যৰ নাৰ্চাৰী ব্যৱস্থাপনা প্ৰশিক্ষণটিত জিলাখনৰ ১৫ গৰাকী উদ্যমী কৃষকে অংশগ্ৰহণ কৰা প্ৰশিক্ষণটিত প্ৰশিক্ষাৰ্থীসকলক ক্ষেত্ৰভিত্তিতক অধ্যয়নৰো ব্যৱস্থা কৰে। আনহাতে, মৌ-মাখিৰ বৈজ্ঞানিক পালন বিষয়ক অনুষ্ঠিত হোৱা আন এক বৃত্তিমূলক প্ৰশিক্ষণ কাৰ্যসূচীত জিলাখনৰ ২০ গৰাকী কৃষকে অংশগ্ৰহণ কৰে। জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়বস্তু বিশেষজ্ঞ নৱদীপ শইকীয়াই পৰিচালনা কৰা প্ৰশিক্ষণটিত বাণিজ্যিকভাৱে মৌপালনৰ জৰিয়তে ঔদ্যোগীক বিকাশৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰা হয়। উল্লেখ্য যে প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰা কৃষকসকলক সদৌ অসম মৌপালক সন্থাৰ যুটীয়া সম্পাদক অৰুণ মিত্ৰৰ মৌমাখি ফাৰ্মত ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে ভ্ৰমণ কৰা হয়। আজি সম্পন্ন হোৱা কাৰ্যসূচীৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে মৰিগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত অনুসূয়া শৰ্মা। জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ডাঃ ৰিজুস্মিতা শৰ্মা ডেকাই আৰম্ভণিতে দুয়োটা প্ৰশিক্ষণ কাৰ্যসূচীৰ চমু আভাস দিয়া সামৰণি অনুষ্ঠানত উপস্থিত থাকে জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়বস্তু বিশেষজ্ঞ শপ্তদ্বিপা ভট্টাচাৰ্যী, সৌৰভ বৰুৱা, নৱদীপ শইকীয়া, সুকন্যা গগৈ, ডাঃ সুভাষ কলিতা। প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত আমন্ত্ৰিত অতিথি তথা মৰিগাঁৱৰ সফল উদ্যোগী মকোৰীয়াৰ বানানী নাৰ্চাৰীৰ স্বত্বাধিকাৰী নিপজ্যোতি বৰাক সম্বৰ্ধনা জনোৱা হয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# শিৱসাগৰত শৰীৰচৰ্চাবিদক প্ৰহাৰ কৰি জে'ললৈ ৩জন

**ই-সংবাদ, শিৱসাগৰ, ২১ ফেব্ৰুৱাৰীঃ** শিৱসাগৰ চহৰ নিবাসী এগৰাকী ৰাষ্ট্ৰীয় পৰ্যায়ৰ শৰীৰচৰ্চাবিদক কেইগৰাকীমান উদণ্ড যুৱকে লগ হৈ আক্ৰমণ কৰা ঘটনাৰ পিছতে তিনিজন অভিযুক্তক ৰঙাঘৰলৈ প্ৰেৰণ কৰে আৰক্ষীয়ে। শৰীচৰ্চাবিদ নিপানন্দ হাজৰিকাক যোৱা ১৯ ফেব্ৰুৱাৰীৰ নিশা আক্ৰমণ কৰাৰ পিছতে শিৱসাগৰ সদৰ থানাত দাখিল কৰিছিল এজাহাৰ। হাজৰিকাই দাখিল কৰা এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ৩১ নং গোচৰ ৰুজু কৰি তিনি যুৱকক গ্ৰেপ্তাৰ কৰি জিলা কেন্দ্ৰীয় কাৰাগাৰলৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে অয়াজ আহমেদ ওৰফে গুদ্দু, আকিব হাজৰিকা ওৰফে বাবু আৰু চাহানুৰ আহমেদ নামৰ ব্যক্তিকেইজনক গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰোৱাৰ পিছত জে'ললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে যোৱা বুধবাৰে নিশা শিৱসাগৰ বাবুপট্টীত কেইজনমান যুৱকৰ মাজত কাজিয়াৰ সূত্ৰপাত হয়। সেই কাজিয়া এৰুৱাবলৈ যাওঁতেই উদণ্ড যুৱকৰ দলটোৱে বটল আৰু কেতবোৰ চোকা অস্ত্ৰ লৈ নিপানন্দ হাজৰিকাক আক্ৰমণ কৰে। ফলত আহত হাজৰিকাই থানাত এজাহাৰ দাখিল কৰে। ইপিনে, আৰক্ষীয়ে তদন্ত অব্যাহত ৰখাৰ সময়তে কালি নিপানন্দ হাজৰিকাই একাংশ স্থানীয় যুৱকক লগত লৈ আগদিনাৰ ঘটনাৰ পোটক তুলিবলৈ কেইবাগৰাকী লোকক জধে-মধে প্ৰহাৰ কৰা বুলি অভিযোগ তুলি আন এখন এজাহাৰ দাখিল কৰিছে সদৰ থানাত। এই ঘটনাই জিলাখনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# নীলবাগানত পথ দুৰ্ঘটনা নিহত অচিনাক্ত লোক

**ই-সংবাদ, মোৰাঝাৰ, ২১ ফ্ৰেব্ৰুৱাৰীঃ** হোজাইৰ নীলবাগানৰ ৫৪ নং ৰাষ্ট্ৰীয় পথত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। যোৱা নিশা ৰাষ্ট্ৰীয় ঘাইপথৰ মোবাৰক বস্তি নামৰ ঠাইত অচিনাকি বাহনে মহতিয়াই থৈ যায় এজন লোকক। এই ঘটনাত লোকজন থিতাতে নিহত হয়। নিহত লোকজন বৰ্তমানলৈ চিনাক্ত হোৱা নাই। ঘটনাস্থলীত নীলবাগান আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মোৰাঝাৰ আৰক্ষীক চমজাই দিয়ে। মৃতদেহটো নগাঁৱৰ মৰ্গত ৰখা হৈছে বুলি জানিবলৈ দিছে মোৰাঝাৰ আৰক্ষীয়ে। কোনো লোক যদিহে সন্ধানহীন হৈ আছে তেন্তে পৰিয়ালৰ লোক আহি মোৰাঝাৰ আৰক্ষীৰ সৈতে যোগাযোগ কৰি চিনাক্ত কৰিব পাৰিব বুলিও জনাইছে।



## জয়েৰে আৰম্ভণি গুৱাহাটী, শদিয়া, বঙাইগাঁও, তিনিচুকীয়াৰ

# নগাঁৱত আন্তঃজিলা ছিনিয়ৰ মহিলা হকী প্ৰতিযোগিতা আৰম্ভ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২১ ফেব্ৰুৱাৰীঃ** অসম হকী আৰু নগাঁও ক্ৰীড়া সংস্থাৰ যৌথ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত খেলুৱৈৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনাৰে আজিৰে পৰা ২৩ ফেব্ৰুৱাৰীলৈ ১৫ সংখ্যক অসম আন্তঃজিলা ছিনিয়ৰ মহিলা হকী প্ৰতিযোগিতাখনি আৰম্ভ হৈছে। মুঠ-১৪ টা দলৰ যোগদানৰে আয়োজিত এই প্ৰতিযোগিতাৰ আজিৰ খেলত গুৱাহাটীয়ে ধেমাজী দলক ৬-০ গ'লত, শদিয়াই কৰিমগঞ্জক ৫-০ গ'লত, বঙাইগাঁৱে তেজপুৰক ১-০ গ'লত আৰু তিনিচুকীয়া দলে ওডালগুৰি দলক টাইব্ৰেকাৰত সামগ্ৰিকভাৱে ৪-৩ ( ১-১ ) গ'লত হৰুৱাই অগ্ৰগতি লাভ কৰাৰ বিপৰীতে লখিমপুৰে এল এন আই পি ই দলৰ বিৰুদ্ধে আৰু ভেৰগাঁৱে মৰিগাঁও দলৰ বিপক্ষে ৱাকঅ'ভাৰ পায় অগ্ৰগতি লাভ কৰিছে। প্ৰতিযোগিতাখনি আজি দিনৰ ১১ বজাত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ গুৱাহাটী আঞ্চলিক কেন্দ্ৰৰ সহকাৰী সঞ্চালক তথা খেল'ইণ্ডিয়াৰ ভাৰপ্ৰাপ্ত বিষয়া অনন্যা শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। আড়ম্বৰপূৰ্ণ উদ্বোধনী অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত দেবাহুতি বৰা, এন চি চিৰ অষ্টম বেটেলিয়নৰ মুখ্য কাৰ্যবাহী বিষয়া কৰ্ণেল অক্ষয় দাস, নগাঁও জিলা ক্ৰীড়া বিষয়া প্ৰতিম বৰুৱাৰ লগতে বিশিষ্ট ক্ৰীড়া সংগঠক তপন কুমাৰ দাস, ডাঃ কৃষ্ণ কুমাৰ বৰা, প্ৰশান্ত কুমাৰ বৰা, প্ৰদীপ কুমাৰ হাজৰিকা, হিৰণ্য বৰা, মোহন চন্দ্ৰ বৰা, ৰনেণ শৰ্মা আৰু কল্যাণী ডেকাকে ধৰি অসম হকী আৰু নগাঁও ক্ৰীড়া সংস্থাৰ ভালেকেইগৰাকী বিষয়ববীয়া তথা সদস্য উপস্থিত থাকে। অসম হকীৰ সম্পাদক তপন কুমাৰ দাসে জনোৱামতে, প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা ২৩ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি